
# শান্তিৰ সংবাদ



লিখক

হজৰত মিৰ্জা গোলাম আহমদ চাহাব

প্ৰতিশ্ৰুত মছীহ ও মাহদী (আঃ)



# ABOUT THE BOOK

In a world plagued with intolerance for cultural, racial and religious differences, *A Message of Peace* serves as a panacea to the ills of the society. Prophetic in foresight and universal in scope, this book lays out a path to the peaceful existence of all humans based on the central theme of worshipping the One God. It is not surprising therefore that *A Message of Peace* forms the last work of a man who was destined to lay the foundation for the establishment of peace in this day and age and whose advent was prophesied in all major religions of the worldthe Promised Messiah and Reformer of the Latter Days.

My countrymen! writes the Promised Messiah,A religion which does not inculcate universal compassion is no religion at all. Similarly a human being without the faculty of compassion is no human at all.

# শান্তিৰ সংবাদ

লিখক ঃ
হজৰত মিৰ্জা গোলাম আহমদ চাহাব প্ৰতিশ্ৰুত মছীহ ও মাহদী (আঃ)

# শান্তিৰ সংবাদ


| | |
|---|---|
| নাম কিতাপ | শান্তিৰ সংবাদ |
| অনুবাদক | আজিবৰ ৰহমান মুৰব্বী ছিলছিলা |
| প্ৰথম প্ৰকাশ | ২০১৯,সংখ্যা ১০০০ |
| প্ৰকাশক | নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান, |
| মুদ্ৰণে | ফজলে ওমৰ প্ৰিণ্টিং প্ৰেছ কাদিয়ান, জিলা গুৰদাছপুৰ, পিন ১৪৩৫১৬ পঞ্জাৱ, |
| | |
| Original book | Paigame Sulah |
| Book name | Santir Sangbad |
| Translated in Assamese | Ajeebur Rahman Murabbi Silsila |
| First published | 2019, 1000 copies |
| Publisher | Nazarat Nashor-O-Ishaat Qadian |
| Published at | Fazle Umar Printing Press Qadian, Dist. Gurdaspur,143516 Punjab, |

# শান্তিৰ সংবাদ

হজৰত মছীহ মাওউদ (আঃ) ৰ লিখিত পুস্তকখন পয়গামে ছুলাহ আজি বৰ ৰহমান মুৰব্বী ছিলছিলা চাহাবে উৰ্দুৰ পৰা অসমীয়া ভাষাত অনুবাদ কৰি অসমবাসী ৰাইজলৈ আগবঢ়াইছে। আশা কৰো পুস্তকখনৰ পৰা অসমবাসী ৰাইজ নিশ্চয় উপকৃত হ'ব ।এই পুস্তকখন Review কৰাত সহায় সহযোগীতা আগবঢ়াইছে সন্মানীয় আমান আলী চাহাব সদৰ Review কমিটি অসম ,সন্মানীয় শ্বাহ জাহান আলী চাহাব মুৰাল্লিম ছিলছিলা,নাজিমুদ্দিন মুল্লা চাহাব মুৰব্বী ছিলছিলা, ৰহিম বাদশ্বাহ চাহাব সদৰ ইশ্বায়ত কমিটি অসম,আব্দুল কাদেৰ চাহাব মুৰাল্লিম ছিলছিলা। আল্লাহ তায়লা তেখেত সকলক উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক ।আমিন-

ইতি

মজি বৰ ৰহমান ইনচাৰ্জ অসম ডেস্ক

بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ

نَحْمَدُهٗ وَنُصَلِّيْ عَلٰى رَسُوْلِهِ الْكَرِيْمِ ط

# শান্তিৰ সংবাদ

হে মোৰ প্ৰভু, হে মোৰ প্ৰিয় পথ নিৰ্দেশক। তুমি মোক সেই পথ দেখুৱা যাৰ ওপৰত সাধু লোকসকল প্ৰতিষ্ঠিত হৈ তোমাক অৰ্জন কৰাত সক্ষম হৈছে, আৰু আমাক সেই পথৰ পৰা আঁতৰত ৰখা যাৰ লক্ষ্য মাত্ৰ জাগতিক লোভ, অহঙ্কাৰ আৰু জগত অৰ্জন হৈ থাকে।

মৰমৰ বন্ধুসকল! আমাৰ মাজত শ শ মতভেদ থকা সত্ত্বেও আমি হিন্দু হওঁ বা মুছলমান হওঁ, বিশ্বৰ স্ৰষ্টা আৰু অধিপতি খোদা তায়লাৰ প্ৰতি বিশ্বাসৰ বিষয়ে একমত।এনেদৰে আমি সকলোৰে মানুহ হিচাপে এক জাতি অৰ্থাৎ আমি সকলোৰে মানুহ বুলি পৰিচিত।এনেদৰে একেই দেশৰ অধিবাসী বুলি আমি সকলোৰে এজন আনজনৰ প্ৰতিবেশী। এতিয়া আমাৰ কৰ্তব্য হ'ল, পৰিষ্কাৰ হৃদয় আৰু নেক নিয়তৰ সৈতে বন্ধুত্ব স্থাপন কৰা, আৰু পাৰ্থিৱ অসুবিধাৰ সময়ত এজনে আনজনৰ প্ৰতি এনেদৰে সহানুভূতি প্ৰদৰ্শন কৰা যাতে আমি পৰস্পৰে পৰস্পৰৰ অংগ হৈ যাওঁ।

হে মোৰ দেশবাসীসকল, সেই ধৰ্ম ধৰ্ম নহয় যাৰ মাজত সাৰ্বজনীন সহানুভূতিৰ শিক্ষা নাই, আৰু সেই মানুহ মানুহ নহয় যাৰ মাজত সাৰ্বজনীন সহানুভূতি নাই।উদাহৰণ স্বৰূপে আমি

ক'ব পাৰো যে, যিবিলাক মানবিক শক্তি বা ক্ষমতা আৰ্য্য সমাজৰ আদিম জাতিসমূহক দিয়া হৈছিল সেই একেই শক্তি আৰব,পেৰিছ, ছিৰিয়া, চিন আৰু জাপানৰ অধিবাসী সকলক আৰু ইউৰোপ, আমেৰিকাৰ জাতিসমূহকও দিয়া হৈছিল ।সকলোৰে কাৰণে আল্লাহৰ ভূমি মজিয়াৰ (চোতালৰ) কাম কৰি আছে । আৰু সকলোৰ বাবে চন্দ্ৰ, সূৰ্য্য আৰু আন আন বহু গ্ৰহ নক্ষত্ৰই উজ্জ্বল প্ৰদীপৰ কাম কৰি আছে, আৰু বিভিন্ন ধৰণৰ সেৱাত ন্যস্ত আছে ।তাৰ সৃষ্ট পদাৰ্থ অৰ্থাৎ বায়ু, পানী, অগ্নি, মাটি আৰু ঠিক এনেদৰেই তাৰ আন আন সৃষ্ট বস্তু খাদ্য,শস্য, শাক-পাচলি, ফুল আৰু ফল-মূল ইত্যাদিৰ পৰা প্ৰত্যেক জাতি লাভবান হৈ আছে, আৰু এক ঈশ্বৰ সৃষ্টকৰ্তা বস্তু আমাক শিক্ষা প্ৰদান কৰি আছে যে আমিও যাতে মানৱ জাতিৰ প্ৰতি ভাল ব্যৱহাৰ প্ৰদৰ্শন কৰো আৰু আমাৰ হৃদয় যেন নিষ্ঠুৰ নহয় । প্ৰিয় বন্ধুসকল! মনত ৰাখিব যে, আমাৰ এই দুই জাতিৰ মাজত যিজনে ঐশিক গুণৰ সন্মান নকৰে আৰু নিজৰ চৰিত্ৰ যদি তাৰ পৱিত্ৰ গুণাৱলীৰ অনুকৰণত গঠন নকৰে, তেনেহলেসেই জাতি অতি শীঘ্ৰেই ধ্বংস হৈ যাব, আৰু কেৱল নিজৰ লোকসকলৰেই ধ্বংস নকৰিব,বৰং নিজৰ বংশধৰ সকলোকো ধ্বংসৰ গ্ৰাসলৈ লৈ যাব ।যেতিয়াৰে পৰা পৃথিৱী সৃষ্টি হৈছে প্ৰত্যেক দেশৰ সাধু লোকসকলে এই সাক্ষী দি গৈছে যে ঐশিক গুণৰ অনুসৰণ কৰা মানুহৰ জীৱনৰ বাবে এক অমৃত পানী আৰু শান্তিৰ উৎপত্তিস্থল ।খোদা তায়লাৰ পৱিত্ৰ গুণাৱলীৰ অনুকৰণৰ ওপৰত মানুহৰ দৈহিক আৰু আধ্যাত্মিক জীৱন নিৰ্ভৰশীল যে মানুহে যাতে খোদা তায়লাৰ সকলো পৱিত্ৰ গুণাৱলীৰ অনুসৰণ কৰে, যিয়ে শান্তিৰ উৎপত্তিস্থল ।

## পৃথিৱীৰ প্ৰভু প্ৰতিপালক

আল্লাহ্ তায়লা পৱিত্ৰ কোৰাণ শ্বৰীফ এই আয়াতৰ দ্বাৰা আৰম্ভ কৰিছে যিটো চুৰা ফাতিহাত উল্লেখ আছে اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ অৰ্থাৎ সকলো পৱিত্ৰ প্ৰশংসা সেই বিশ্ব স্ৰষ্টাৰ বৈশিষ্ট যিজনে গোটেই (আলম) পৃথিৱীৰ প্ৰতিপালক ।আলম শব্দটো জাতি, বিভিন্ন কাল,আৰু দেশক বুজায় ।এই আয়াতৰ দ্বাৰা পৱিত্ৰ কোৰাণ আৰম্ভ কৰাৰ উদ্দেশ্য হ'ল , আচলতে ইয়াৰ দ্বাৰা সেইসকল জাতিৰ মতবাদ খণ্ডন কৰা হৈছে যিসকলে খোদা তায়লাৰ সৰ্ব ব্যাপক (ৰবুবিয়ত আৰু ফায়জ)প্ৰতিপালকত্ব আৰু অনুগ্ৰহক নিজ নিজ অথবা জাতিৰ মাজতেই সীমাৱদ্ধ বুলি ভাবে আৰু অন্যান্য জাতিসমূহক ভাবে যে তেওঁলোক খোদা তায়লাৰ ভৃত্য নহয় । (এনেদৰে ভাবে যে খোদা তায়লাই তেওঁলোকক সৃষ্টি কৰি আৱৰ্জনাৰ দৰে দলিয়াই পেলাইছে বা পাহৰি গৈছে ।(আল্লাহ ক্ষমা কৰক)তেওঁলোক যেন আল্লাহৰ সৃষ্ট জীৱই নহয় ।উদাহৰণ স্বৰূপ যিদৰে ইহুদী আৰু খ্ৰীষ্টানসকলে আজিও এনে বিশ্বাস পোষণ কৰে যে খোদা তায়লাৰ যিমান প্ৰেৰিত নবী আৰু ৰচুল আৱিৰ্ভাব হৈছিল সিহঁত কেৱল ইহুদীসকলৰ বংশৰ অন্তৰ্গত আছিল, আৰু খোদা তায়লা আন আন জাতিসমূহক ভাল নাপায় ।গতিকে সিহঁতক পথভ্ৰষ্ট অৱস্থাত দেখিও সিহঁতৰ ফালে দৃষ্টিপাত কৰা নাই । যিদৰে ইঞ্জিলত লিখা আছে যে হজৰত ঈছা (আঃ) য়ে কৈছে যে মই কেৱল বনি ইস্ৰাইলৰ ভেড়াৰ কাৰণে প্ৰেৰিত হৈছোঁ ।আচলতে খ্ৰীষ্টান আৰু ইহুদীসকলৰ ধৰ্ম বিশ্বাস এয়াই যে সকলো নবী আৰু ৰচুল সিহঁতৰ বংশৰ পৰাই আৱিৰ্ভাব হৈছিল, আৰু সিহঁতৰ বংশৰ মাজৰ পৰাই ঐশিক গ্ৰন্থসমূহ অৱতীৰ্ণ হৈছিল,আৰু

খ্ৰীষ্টান সকলৰ ধৰ্ম বিশ্বাস অনুযায়ী ওহী আৰু ইলহামৰ ধাৰাবাহিকতা হজৰত ঈছা (আঃ) ৰ মৃত্যুৰ পিছত বন্ধ হৈ গৈছে, আৰু খোদা তায়লাৰ ইলহামৰ ওপৰত মোহৰ লাগি গৈছে ।

এনেদৰে আৰ্য্য সমাজো এনেধৰণৰ ধৰ্ম বিশ্বাস পোষণ কৰে ।অৰ্থাৎ যেনেদৰে ইহুদী আৰু খ্ৰীষ্টান সকলে নবুয়ত আৰু ইলহামক ইস্ৰাইলৰ বংশধৰলৈ সীমাবদ্ধ কৰি ৰাখে আৰু ইলহাম প্ৰাপ্ত হোৱাৰ গৰ্বত আন আন জাতিক উত্তৰ দি থাকে ।একেই ধৰ্ম বিশ্বাস দুৰ্ভাগ্যবশতঃ আৰ্য্য সমাজেও পোষণ কৰি আছে ।অৰ্থাৎ সিহঁতৰও এই ধৰ্ম বিশ্বাস যে খোদা তায়লাৰ ওহী ও ইলহামৰ ধাৰাবাহিকতা আৰ্য্য সমাজৰ মাজৰ পৰা কেতিয়াও বাহিৰলৈ ওলোৱা নাই ।সদায় সেই দেশৰ পৰা চাৰিজন ঋষি নিৰ্বাচিত কৰা হয়, আৰু সদায় বেদ বাৰে বাৰে অৱতীৰ্ণ হৈ থাকে আৰু সদায় বেদৰ সংস্কৃত ভাষাক সেইবোৰ ইলহামৰ বাবে নিৰ্দ্ধাৰিত কৰি ৰখা হৈছে ।

আচলতে এই দুয়োখন জাতি খোদা তায়লাক গোটেই পৃথিৱীৰ প্ৰতিপালক বুলি বিশ্বাস নকৰে ।কিয়নো খোদা তায়লাক গোটেই পৃথিৱীৰ প্ৰতিপালক বুলি কোৱাৰ এটাও প্ৰমাণ দেখিবলৈ পোৱা নাযায় । নহলে তেওঁ কেৱল বনি ইস্ৰাইলৰ প্ৰভু প্ৰতিপালক আৰু আৰ্য্য সমাজৰ প্ৰভু প্ৰতিপালক হিচাপে কিয় এনেকুৱা চিৰস্থায়ী সম্পৰ্ক গঢ়ি তুলিছে ?যাৰ দ্বাৰা স্পষ্ট ভাবে পক্ষপাতিত্বৰ চিহ্ন প্ৰকাশ পাইছে । গতিকে এই সকল ধৰ্ম বিশ্বাসক খণ্ডন কৰাৰ বাবে খোদা তায়লাই পৱিত্ৰ কোৰাণ শ্বৰীফক اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ৰ দ্বাৰা আৰম্ভ কৰিছে । আৰু কোৰাণ শ্বৰীফৰ ঠায়ে ঠায়ে স্পষ্ট ভাবে কৈ গৈছে যে কোনো এটা বিশেষ জাতিৰ মাজত বা কোনো এটা বিশেষ দেশৰ মাজত কোনো

নবী অহা বুলি ভবাটো ঠিক নহয় ।কিয়নো আল্লাহ তায়লা কোনো জাতি বা কোনো দেশক পাহৰা নাই । কোৰাণ শ্বৰীফত বিভিন্ন দৃষ্টান্তৰ কথা উল্লেখ আছে যে খোদা তায়লা যিদৰে প্ৰত্যেক দেশৰ অধিবাসী সকলক অৱস্থা অনুসৰি শৰীৰৰ প্ৰতি পালন কৰি আহি আছে । তেনেদৰেই তেওঁ প্ৰত্যেক দেশ আৰু জাতিসমূহকো আধ্যাত্মিক প্ৰতিপালনৰ দ্বাৰা অনুগৃহিত কৰি আছে । আল্লাহ তায়লা পৱিত্ৰ কোৰাণ শ্বৰীফৰ এক স্থানত কয় যে وَاِنۡ مِّنۡ اُمَّۃٍ اِلَّا خَلَا فِیۡہَا نَذِیۡرٌ অৰ্থাৎ এনে কোনো জাতি নাই যাৰ মাজত কোনো নবী,(মহাপুৰুষ) প্ৰেৰিত হোৱা নাই (চুৰা ফাতেৰ-২৫) ।

এতিয়া এই তৰ্ক-বিতৰ্ক এৰি গ্ৰহণ যোগ্য বিষয় হ'ল সেই সৎ আৰু সৰ্বগুণাকাৰ খোদাৰ প্ৰতি বিশ্বাস স্থাপন কৰা প্ৰত্যেক ব্যক্তিৰ কৰ্তব্য । যিয়ে গোটেই বিশ্বৰ প্ৰভু প্ৰতিপালক, আৰু তাৰ প্ৰতিপালন কোনো বিশেষ জাতিৰ মাজত সীমাবদ্ধ নহয় আৰু কোনো বিশেষ কাললৈকেও সীমাবদ্ধ নহয় আৰু কোনো দেশতো সীমাবদ্ধ নহয় । সকলো জাতিৰ তেওঁ প্ৰভু প্ৰতিপালক সকলো ঠাইৰ আৰু সময়ৰ তেওঁ প্ৰভু প্ৰতিপালক আৰু সকলো দেশৰ তেওঁ প্ৰভু প্ৰতিপালক । সকলো অনুগ্ৰহৰ তেওঁ নিজেই উৎপত্তিস্থল ।সকলো জাগতিক আৰু আধ্যাত্মিক শক্তি তাৰ পৰাই আহে আৰু যাৱতীয় সৃষ্ট বস্তু তাৰ দ্বাৰাই প্ৰতিপালিত হৈ থাকে, আৰু প্ৰত্যেক বস্তু তেওঁৰ নিৰ্ভৰস্থল ।

আল্লাহ তায়লাৰ অনুগ্ৰহ সীমাহীন আৰু বিস্তৃত ।এয়া প্ৰত্যেক জাতি প্ৰত্যেক দেশ আৰু প্ৰত্যেক কালক বেষ্টন কৰি আছে । ইয়াৰ কাৰণ হ'ল এই যে কোনোবাৰ পক্ষে যেন অভিযোগ কৰাৰ কোনো ধৰণৰ সুযোগ নাথাকে, আৰু কোনেও যেন এই কথা

ক'ব নোৱাৰে যে খোদা তায়লা সেই জাতিৰ ওপৰত অনুগ্ৰহ কৰিছে,আমাৰ ওপৰত কৰা নাই ।নাইবা সেই জাতি তাৰ পৰা সজ বাট অৰ্জনৰ বাবে শাস্ত্ৰপ্ৰাপ্ত হৈছে, কিন্তু আমি সেইটো পোৱা নাই বা আগৰ যুগত তেওঁ ঈশ্বৰ বাণী বা বাক্য আৰু অলৌকিক নিদৰ্শনৰ জৰিয়তে প্ৰকাশিত হৈছিল ।কিন্তু আমাৰ যুগত তেওঁ পলাই আছে ।গতিকে তেওঁ বহু অনুগ্ৰহ দেখুৱাই এই আপত্তিসমূহৰ খণ্ডন কৰিছে,আৰু নিজৰ সকলো গুণাৱলী এনেদৰে প্ৰদৰ্শন কৰিছে যে, কোনো জাতিক দৈহিক আৰু আধ্যাত্মিক অনুগ্ৰহৰ পৰা তেওঁ বঞ্চিত কৰা নাই ।

যিহেতু আমাৰ খোদা তায়লাৰ গুণাৱলী এনেধৰণৰ,সেয়েহে আমাৰ কৰ্তব্য হ'ল আমিও যাতে সেই গুণাৱলী সমূহৰ অনুসৰণ কৰো । হে আমাৰ প্ৰিয় দেশবাসীসকল! এই সংক্ষিপ্ত পুস্তকখন যাৰ নাম পয়গামে ছুলা (শান্তিৰ বাৰ্তা)অতি শ্ৰদ্ধাৰে আপোনালোকৰ সন্মুখত উপস্থাপন কৰি আছো, আৰু আন্তৰিকতাৰে এই প্ৰাৰ্থনা কৰো যে সৰ্বশক্তিমান খোদা তায়লা নিজেই আপোনালোকৰ হৃদয়ত ঐশিক প্ৰেৰণা দান কৰক আৰু আমাৰ আন্তৰিকতাৰ প্ৰকৃত মৰ্মক আপোনালোকৰ হৃদয়ত উদঘাটিত কৰি দিয়ক ।যাতে আপোনালোকে বন্ধুত্বৰ এই উপহাৰক কোনো উদ্দেশ্য আৰু ব্যক্তিগত স্বাৰ্থৰ ওপৰত প্ৰতিষ্ঠিত বুলি নাভাবে ।প্ৰিয় বন্ধুসকল! পৰকালৰ বিষয়টো জনসাধাৰণৰ ওচৰত বেছি ভাগেই ঢাকি থাকে, আৰু ৰহস্য সেইসকল লোকৰ ওচৰত উদঘাটিত হৈ থাকে যিসকলে মৃত্যুৰ আগতেই মৃত্যুক বৰণ কৰি লয় । কিন্তু পাৰ্থিৱ ভাল-বেয়াৰ বিষয়টো প্ৰত্যেক বুদ্ধিমান ব্যক্তি চিনাক্ত কৰিব পাৰে ।

## একতাৰ কল্যাণ

এই কথা সকলোৱে জানে একতা এনেকুৱা এটা শক্তি যে যিবিলাক বিপদ কেতিয়াও নেৰে আৰু যিবিলাক সমস্যা আন কোনো পদ্ধতিত সমাধান নহয়। কিন্তু একতাৰ জৰিয়তে সেই বিলাকৰ সমাধান অতি সহজেই হৈ যায়।গতিকে একতাৰ কল্যাণৰ পৰা নিজকে বঞ্চিত কৰি ৰখাটো কোনো বুদ্ধিমানৰ কাম নহয়।হিন্দু আৰু মুছলমান এই দেশৰ মাজত এনেকুৱা দুই জাতি যে এটা সময়ত গোটেই হিন্দু একত্ৰিত হৈ মুছলমান সকলক বা গোটেই মুছলমান একত্ৰিত হৈ হিন্দুসকলক এই দেশৰ পৰা ওলাই দিব এয়া অসম্ভৱ বিষয়, আৰু যদি এটা জাতি আন এটা জাতিক নিজৰ অহঙ্কাৰৰ কাৰণে লাঞ্চিত কৰিব বিচাৰে তেনেহলে সেই জাতিও লাঞ্চনাৰ পৰা মুক্তি পাব নোৱাৰে,আৰু যদি কোনোবাই নিজৰ প্ৰতিবেশীক সহানুভূতিৰ পৰা বঞ্চিত কৰে তেনেহলে তাৰ ক্ষতি তেওঁকো ভুগিব লাগিব। তোমালোকৰ দুই জাতিৰ মাজত যিজনে আন জাতিক ধ্বংসৰ কথা ভাৱে তেওঁ সেই ব্যক্তিৰ দৰে যিজন ব্যক্তি কোনো গছৰ শাখাত বহি (সেই শাখাৰ) শিপা কাটে।আল্লাহ তায়লাৰ কৃপাত আপোনালোকে শিক্ষিত মানুহ। এতিয়া ঈৰ্ষাৰ পৰিৱৰ্তে মৰম স্নেহ সৃষ্টি কৰাই হ'ল আপোনালোকৰ কাৰণে এটা সুন্দৰ বিষয়,আৰু হৃদয়হীনতাৰ পৰিৱৰ্তে হৃদয়বান হোৱাই আপোনালোকৰ বুদ্ধিমানৰ পৰিচয়।পাৰ্থিৱ সমস্যাবোৰ হ'ল মৰুভূমিৰ ভ্ৰমণৰ দৰে যিটো প্ৰচণ্ড গৰম আৰু সূৰ্য্যৰ উত্তপ্ত কৰা হয়।এই দুৰ্গম পথৰ বাবে পাৰস্পৰিক একতাৰ সেই শীতল পানীৰ একান্ত প্ৰয়োজন। যিয়ে এই জ্বলন্ত জুইক নিবাৰিত্ কৰিব আৰু পিয়াহৰ সময়ত মৃত্যুৰ পৰা ৰক্ষা কৰিব।

## সংশোধনৰ আহ্বান

এনে সংকটজনক সময়ত মই আপোনালোকক সংশোধনৰ প্ৰতি আহ্বান জনাই আছো ।এনে সময়ত উভয় সম্প্ৰদায়ৰ বাবে মৰম-স্নেহৰ একান্ত প্ৰয়োজন। পৃথিৰীত বিভিন্ন ধৰণৰ বিপদ অৱতীৰ্ণ হৈ আছে। ভুমিকম্প হৈছে, দুৰ্ভিক্ষ আহি আছে,মহামাৰী ৰোগত আক্ৰান্ত হৈ আছে ।ইয়াৰ উপৰিও আল্লাহ তায়লা মোক যি সংবাদসমূহ প্ৰদান কৰিছে সেই বিলাক হ'ল যদি পৃথিৰী অসৎ আৰু অন্যায় কৰ্মৰ পৰা বিৰত নাথাকে, অনুতাপ নকৰে,তেনেহ'লে পৃথিৰীত ভয়ংকৰ বিপদ অৱতীৰ্ণ হ'ব, আৰু এটা বিপদ শেষ নহওতেই আন এটা বিপদ আহি উপস্থিত হ'ব ।অৱশেষত মানুহ বিৰক্ত হৈ ক'ব যে এই বিলাক কি হৈ আছে, আৰু বহু মানুহ বিপদত পৰি পাগলৰ নিচিনা হৈ যাব। গতিকে হে মোৰ মৰমৰ দেশবাসীসকল!সেই দিন অহাৰ আগতেই সতৰ্ক হৈ যোৱা, আৰু হিন্দু মুছলমান পৰস্পৰৰ মাজত সন্ধি কৰি লোৱা ।যি জাতিৰ অন্যায় আচৰণ এই সমাধানৰ বিষয়ে বাধাগ্ৰস্ত হয়, সেই জাতিৰ অন্যায় আচৰণ পৰিত্যাগ কৰা উচিত ।পৰস্পৰৰ শত্ৰুতাৰ গোটেই অপৰাধ সেই জাতিৰ ওপৰতেই আহিব। যদি কোনোবাই সুধে যে,সমাধান কেনেকৈ হ'ব পাৰে, বিশেষকৈ ধৰ্ম সম্বন্ধীয় মতভেদ যেতিয়া সম্প্ৰীতিৰ বাটত প্ৰধান প্ৰতিবন্ধক হৈ থিয় হৈ আছে ।যিয়ে দিনক দিনে মানুহৰ হৃদয়ত বিদ্বেষ সৃষ্টি কৰি আছে।

ইয়াৰ উত্তৰত মই ক'ব বিচাৰো যে ধৰ্মীয় মতভেদ আচলতে এনে এটা মতভেদৰ নাম,যাৰ ভিত্তি উভয় পক্ষৰ নিজৰ নিজৰ বিচাৰ,ন্যায় আৰু চকু দেখা বিষয়সমূহৰ ওপৰত প্ৰতিষ্ঠিত হোৱা উচিত। মানুহক এই কাৰণেই বুদ্ধি প্ৰদান কৰা হৈছে যে তেওঁ

যাতে এনেধৰণৰ পদ্ধতি অৱলম্বন কৰিব পাৰে যিটো বুদ্ধি, কৌশল আৰু ন্যায় সন্মতি আৰু ইন্দ্ৰীয় বিষয়সমূহৰ বিৰোধী নহয়।ক্ষুদ্ৰ ক্ষুদ্ৰ মতানৈক্য কেতিয়াও সমাধানৰ ক্ষেত্ৰত প্ৰতিবন্ধক হ'ব নোৱাৰে।সেই বিৰোধীতা সমূহই সমাধানৰ ক্ষেত্ৰত প্ৰতিবন্ধক হৈ থিয় হ'ব পাৰে যিবোৰ কোনোবাৰ স্বীকৃত পয়গাম্বৰ আৰু স্বীকৃত ঐশিক ধৰ্ম গ্ৰন্থৰ প্ৰতি নিন্দা আৰু মিছলীয়া বুলি আক্ৰমণ কৰে। এই দেশৰ মহাপুৰুষ ইয়াৰ উপৰিও সমাধানকাৰী সকলৰ বাবে এয়া এটা আনন্দৰ বিষয় যে ইছলাম ধৰ্মত যিবিলাক শিক্ষা বিদ্যমান আছে। তাৰে বহু অংশ বৈদিক শিক্ষাৰ বহু শাখাত বিদ্যমান আছে। উদাহৰণস্বৰূপ, নব আৰ্য্য সমাজৰ মতে বেদৰ পিছত ঈশ্বৰ বাণীৰ দুৱাৰ বন্ধ হৈ গৈছে। কিন্তু হিন্দু জাতিৰ মাজত সময়ে সময়ে সেইসকল মহাপুৰুষসকলৰ আগমন ঘটিছে যিসকলৰ কোটি কোটি ভক্ত এই দেশত এতিয়াও বিদ্যমান আছে।তেওঁলোকে ঈশ্বৰ বাণীৰ দাবী কৰি উক্ত মতসমূহ খণ্ডন কৰি দিছে।উদাহৰণস্বৰূপ আমি ক'ব পাৰো যে, এই দেশত এজন শ্ৰদ্ধা ভাজন মহাপুৰুষ বহুকাল আগতে বিশেষ ভাবে সন্মানিত হৈ আহিছিল।যাৰ নাম আছিল শ্ৰীকৃষ্ণ তেখেতে ঈশ্বৰ বাণী প্ৰাপ্তিৰ দাবী কৰিছিল।তেখেতৰ ভক্তসকলে তেখেতক কেৱল ঈশ্বৰ বাণী প্ৰাপ্ত বুলিও নকয়, পৰমেশ্বৰ বুলিও মাতে।নিশ্চয় ইয়াত কোনো সন্দেহ নাই যে শ্ৰীকৃষ্ণ নিজৰ যুগৰ এজন নবী আৰু মহাপুৰুষ আছিল আৰু ঈশ্বৰৰ লগত বাক্যালাপ কৰিছিল।

## শ্ৰী গুৰুনানক চাহেব

এনেদৰে শেষ যুগত হিন্দু জাতিৰ মাজত বাবা নানক চাহেব আহিছিল। তেখেতৰ মহত্ত্বৰ খ্যাতি এই দেশ জুৰি সৰ্বসাধাৰণৰ

মাজত প্ৰসাৰ লাভ কৰিছে। তেখেতৰ মান্যকাৰীসকল এই দেশত শিখ জাতি নামেৰে পৰিচিত ।সিহঁত বিশ লাখৰ কম নহ'ব। বাবা চাহেব নিজৰ বিভিন্ন জনম সাখী আৰু গ্ৰন্থৰ মাজত প্ৰকাশ্য ভাৱে ঈশ্বৰবাণী প্ৰাপ্তিৰ দাবী কৰিছিল ।তেখেতে নিজৰ জনম সাখীৰ মাজত এয়াও লিখি গৈছে যে, মোক আল্লাহ তায়লা কৈছে যে, ইছলাম ধৰ্মহঁ সত্য ।এই বিশ্বাসৰ বাবেই তেখেতে হজ কৰিছিল,আৰু সকলো ইছলামী ধৰ্ম মত অৱলম্বন কৰিছিল ।এয়া নি:সন্দেহ প্ৰমাণিত যে তেখেতৰ জৰিয়তে বহুত অলৌকিক ক্ৰিয়া আৰু নিদৰ্শন প্ৰকাশ পাইছিল। গতিকে ইয়াত কোনো সন্দেহ নাই যে বাবা নানক চাহাব এজন নিষ্ঠাবান সাধু ব্যক্তি আছিল,আৰু সেইসকল মহাপুৰুষৰ দৰে এজন ব্যক্তি আছিল যিসকলক আল্লাহ তায়লা নিজৰ প্ৰেমৰ পানী পান কৰাই থাকে ।তেখেত হিন্দু সকলৰ কেৱল এই কথাৰ সাক্ষী দিয়াৰ বাবে জন্ম লৈছিল যে ইছলাম ধৰ্ম আল্লাহ তায়লাৰ ফালৰ পৰা আহিছে ।ডেৰা বাবা নানক ঠাইত তেখেতে এৰি যোৱা সেইসকল তাবাৰুক বা বৰকতময় স্মৃতি বস্তুসমূহ দেখিলে যাৰ ওপৰত তেখেতে অতি দৃঢ়তাৰে لَآ اِلٰهَ اِلَّا اللّٰهُ مُحَمَّدٌ رَّسُوْلُ اللّٰهِ কলিমাৰ সাক্ষী প্ৰদান কৰিছে, আৰু ফিৰোজপুৰ জিলাত গুৰু হৰসহায় নামৰ ঠাইত সুৰক্ষিত তেখেতৰ তাবাৰুক বা বৰকতময় স্মৃতি বস্তু সমূহ দেখিলে তাৰ মাজত এখন কোৰাণ্ শ্বৰীফ বিদ্যমান আছে। কোনেও এই কথাত সন্দেহ নকৰিব যে বাবা নানক চাহাব নিজৰ পৱিত্ৰ হৃদয়, পৱিত্ৰ আচাৰ ব্যৱহাৰ আৰু পৱিত্ৰ সাধনাৰ জৰিয়তে ধৰ্মৰ সেই ৰহস্য উদঘাটন কৰাত সক্ষম হৈছিল ।যিটো দৈহিক পণ্ডিতসকলৰ ওচৰত অজ্ঞাত ।তেখেত ঈশ্বৰ বাণী প্ৰাপ্তিৰ দাবী কৰি আৰু খোদা তায়লাৰ পৰা প্ৰাপ্ত নিদৰ্শনৰ জৰিয়তে আৰু অলৌকিক কাৰ্য্যসমূহ প্ৰদৰ্শন কৰি বেদৰ

পিছত কোনো ঈশ্বৰ বাণী নাই বুলি আৰু কোনো নিদৰ্শন মাজত প্ৰকাশ নহয় বুলি যি ধাৰণা প্ৰচলিত আছে সেই ভ্ৰান্ত মতবাদৰ খণ্ডন কৰিছে ।ইয়াত কোনো সন্দেহ নাই যে বাবা নানক চাহাবৰ আৰ্বিভাব হিন্দু সকলৰ বাবে আল্লাহ তায়লাৰ ফালৰ পৰা এটা অনুগ্ৰহ স্বৰূপ আছিল । আমি ক'ব পাৰো যে তেখেত হিন্দু সকলৰ বাবে এজন শেষ মহাপুৰুষ আছিল ।তেখেতে হিন্দু সকলৰ হৃদয়ৰ পৰা ইছলামৰ প্ৰতি বিৰোধ ভাৱটো আঁতৰাই দিব খুজিছিল ।কিন্তু এই দেশৰ দুৰ্ভাগ্য যে হিন্দু সমাজ বাবা নানক চাহাবৰ শিক্ষাৰ জৰিয়তে কোনো উপকাৰ লাভ কৰিব পৰা নাই । পণ্ডিত সকলে তেওঁক এই কাৰণে দু:খ দিছিল যে তেখেতে ঠায়ে ঠায়ে কিয় ইছলামৰ প্ৰশংসা কৰি আছে ।তেখেতে হিন্দু আৰু মুছলমান ধৰ্মৰ মাজত সম্পীতি স্থাপনৰ বাবে আহিছিল । কিন্তু দু:খৰ বিষয় হ'ল তেখেতৰ শিক্ষাৰ ফালে কোনেও মনোযোগ দিয়া নাই ।যদি হিন্দু সমাজ তাৰ মহান ব্যক্তিত্ব বা তাৰ পৱিত্ৰ শিক্ষাৰ সামান্য পৰিমাণে সঠিক ভাবে ব্যৱহাৰ কৰিলেহেঁতেন তেনেহ'লে আজি হিন্দু মুছলমান পৰস্পৰে একমত হৈ গ'লহেঁতেন ।হায়! এয়া ভাবি মোৰ চকুৰ পৰা পানী ওলায় যে এনেকুৱা এজন মহান ব্যক্তি পৃথিৱীত আহি গুচি গ'ল কিন্তু জ্ঞানহীন লোকসকলে তেখেতৰ জ্যোতিৰ পৰা সামান্য পৰিমাণেপোহৰো অৰ্জন কৰিব নোৱাৰিলে ।অৰ্থাৎ বাবা নানক চাহাব এই কথাৰ প্ৰমাণ কৰি গৈছে যে ঈশ্বৰ বাণী বা ঐশিক বাক্য কেতিয়াও বন্ধ নহয় । আল্লাহ তায়লাৰ নিদৰ্শন তাৰ মনোনীত ব্যক্তি সকলৰ জৰিয়তে সদায় প্ৰকাশিত হৈ থাকে ।তেখেতে এই কথাৰ সাক্ষী দি গৈছে যে ইছলামৰ লগত শত্ৰুতা কৰা হ'ল (নুৰ) পোহৰৰ লগত শত্ৰুতা কৰাৰ নিচিনা ।

## মোৰ ব্যক্তিগত অভিজ্ঞতা

এই বিষয়ে মোৰ নিজৰ অভিজ্ঞতা হ'ল যে আল্লাহ তায়লাই নিজৰ বাক্য আৰু বাণীৰ পৰা এই যুগকো বঞ্চিত কৰা নাই ।আল্লাহ তায়লা আগতে যেনেদৰে কথা পাতিছিল এতিয়াও তেনেদৰেই কথা পাতে আৰু আগতে যেনেদৰে মানুহৰ দোৱা(প্ৰাৰ্থনা) শুনিছিল এতিয়াও তেনেদৰেই শুনে । তাৰ পুৰণি গুণাৱলী হেৰুৱাই যোৱা নাই । মইপ্ৰায় ত্ৰিশ বছৰ ধৰি আল্লাহ তায়লাৰ লগত কথা বতৰা আৰু সম্বোধনত সন্মানীত হৈ আহি আছো আৰু তেওঁ মোৰ জৰিয়তে শ শ নিদৰ্শন প্ৰকাশ কৰিছে । বহু মানুহ ইয়াৰ সাক্ষী আছে, আৰু এইবোৰ বহু পুস্তক আৰু সংবাদ পত্ৰিকাতো প্ৰকাশিত হৈছে । এনে কোনো জাতি নাই যিসকলে কোনো নিদৰ্শনৰ সাক্ষী হোৱা নাই ।

ইমান ধাৰাবাহিক প্ৰমাণ বিদ্যমান থকা সত্বেও আৰ্য্য সমাজৰ এই শিক্ষা যাক এনেই বৈদিক বুলি উল্লেখ কৰা হয়, কোনোবা ইয়াক কেনেদৰে গ্ৰহণ কৰিব পাৰে । সিহঁতে কয় যে, ঈশ্বৰ বাণী আৰু ঐশিক বাক্যসমূহ সকলো পদ্ধতি বেদৰ মাজত আহি সমাপ্ত হৈ গৈছে আৰু ইয়াৰ পিছত কেৱল কাহিনীৰ আধাৰত পৃথিৱীখন নিৰ্ভৰ কৰি আছে । এই বিশ্বাস খিনি হাতত লৈ সিহঁতে মানুহক কয় যে বেদক এৰি বাকী যিমান গ্ৰন্থাৱলী ঈশ্বৰ বাণীৰ নামত পৃথিৱীত বিদ্যমান আছে, সেইবিলাক (এনেধৰণৰ ধাৰণাৰ পৰা আল্লাহ তায়লা ক্ষমা কৰক)কেৱল মাত্ৰ মানুহৰ ৰচিত ।অথচ সেই গ্ৰন্থসমূহ বেদতকৈ বহুগুণে বেছি নিজৰ সত্যতাৰ প্ৰমাণ উপস্থাপন কৰি আছে, আৰু আল্লাহ তায়লাৰ সহায়তাৰ হাত সিহঁতৰ লগত বিদ্যমান আছে,আৰু আল্লাহ তায়লাৰ অলৌকিক নিদৰ্শন এইবিলাকৰ সত্যতাৰ প্ৰমাণ

উপস্থাপন কৰি আছে ।তেনেহ'লে কেৱল মাত্ৰ বেদহই খোদা তায়লাৰ বাক্য আৰু আনবোৰ খোদা তায়লাৰ বাক্য নহয় নে ? আৰু আল্লাহ তায়লাৰ সত্ত্বা যিহেতু অতি সূক্ষ্ম আৰু চকুৰে দেখা পোৱা নাযায় । গতিকে মানুহৰ বুদ্ধি এয়াই বিচাৰে যে, তেওঁ যাতে নিজৰ সত্যতা প্ৰমাণ কৰাৰ বাবে কেৱল মাত্ৰ এখন গ্ৰন্থ দি ক্ষান্ত হৈ নাযায় বিভিন্ন দেশৰ পৰা যাতে নবী নিৰ্বাচিত কৰি নিজৰ বাক্য আৰু বাণী সিহঁতক প্ৰদান কৰি থাকে ।যাতে দুৰ্বল আৰু দৰিদ্ৰ শ্ৰেণীৰ মানুহ তাক গ্ৰহণ কৰাৰ সৌভাগ্যৰ পৰা বঞ্চিত নহয় । মানুহৰ সাধাৰণ বুদ্ধি এই কথাবোৰক কেতিয়াও গ্ৰহণ কৰাত প্ৰস্তুত নহয় যে খোদা তায়লা সমগ্ৰ বিশ্বৰ খোদা ।যিয়ে নিজৰ সূৰ্য্যৰ দ্বাৰা পূব আৰু পশ্চিমক আলোকিত কৰে, আৰু নিজৰ মেঘৰ দ্বাৰা প্ৰত্যেক দেশক প্ৰয়োজন অনুসৰি প্লাবিত কৰি থাকে ।(আল্লাহ ক্ষমা কৰক) আধ্যাত্মিক শিক্ষা প্ৰদানৰ ক্ষেত্ৰত ইমান কৃপণ যে চিৰকালৰ বাবে কেৱল মাত্ৰ এটা দেশ এটা জাতি আৰু এটা ভাষাই তেওঁ ভাল পাই নে ? মই বুজি নাপাও যে, এয়া কেনে ধৰণৰ যুক্তি বা দৰ্শন যে,তেওঁ প্ৰত্যেক ব্যক্তিৰ দোৱা আৰু প্ৰাৰ্থনাকাৰীৰ প্ৰাৰ্থনা নিজৰ ভাষাত বুজিব পাৰে,আৰু কোনোবাক ঘৃণাও নকৰে ।কিন্তু তেওঁ বৈদিক সংস্কৃত ভাষাক এৰি আন কোনো ভাষাত মানৱ হৃদয়ত ঐশিক বাণী অৱতীৰ্ণ কৰাত অত্যন্ত ঘৃণা কৰে ?এই দৰ্শন বা বেদ-বিদ্যা এনে ৰহস্যময় আৰু জটিল যে যাৰ ৰহস্য উৎঘাটন কৰা কোনো ব্যক্তিৰ পক্ষে আজিলৈকে সম্ভৱ হোৱা নাই ।

## বেদৰ সঠিক শিক্ষা

মই বেদক এনে মূল্যহীন কথা সমূহৰ পৰা পৱিত্ৰ বুলি জানো যে,বেদ কেতিয়াও কোনো পৃষ্ঠাত এনেধৰণৰ কোনো

শিক্ষা প্ৰদান কৰিছে যি শিক্ষা কেৱল মানুহৰ বুদ্ধিৰ বিপৰীত, সেয়াই নহয় পৰমেশ্বৰৰ প্ৰতিও কৃপণতা আৰু পক্ষপাতিত্বৰ কথা ব্যক্ত কৰে। আচল কথা হ'ল কোনো ঈশ্বৰ বাণীৰ ওপৰত যেতিয়া দীৰ্ঘকাল অতিবাহিত হৈ যায় তেতিয়া তাৰ অনুগামীসকলৰ মাজৰ পৰা কিছুমানে অৰজ্ঞাৰে আৰু কিছুমানে পাৰ্থিৱ স্বাৰ্থসিদ্ধিৰ বাবে ভুলতে অথবা ইচ্ছাকৃত ভাৱে সেই গ্ৰন্থৰ মাজত নিজৰ কথাবোৰ প্ৰক্ষেপিত কৰি থাকে, আৰু যিহেতু পৰবৰ্তী প্ৰক্ষেপকাৰীসকল বিভিন্ন ধাৰণাৰ মানুহ হৈ থাকে সেয়েহে এটা ধৰ্মৰ পৰা শতাধিক ধৰ্মৰ উৎপত্তি হৈ থাকে,আৰু এয়া আশ্চৰ্যৰ বিষয় যে যিদৰে আৰ্য্য সমাজৰ লোকসকলে এই বিশ্বাস পোষণ কৰে যে সদায় আৰ্য্য বংশত আৰু আৰ্য্য সমাজতেই ঈশ্বৰ বাণীৰ পৰম্পৰা সীমাবদ্ধ হৈ আছে,আৰু সদায় বেদৰ সংস্কৃত ভাষাই ঈশ্বৰ বাণীৰ বাবে সম্পূৰ্ণ আৰু এয়াই হ'ল ঈশ্বৰৰ নিজৰ ভাষা,আৰু ঠিক একেই ধাৰণা ইহুদী সকলে নিজৰ বংশ আৰু নিজৰ গ্ৰন্থ সমূহৰ বিষয়ে পোষণ কৰি থাকে।সিহঁতৰ মতে খোদা তায়লাৰ প্ৰকৃত ভাষা হ'ল ইবৰাণী ভাষা, আৰু পূৰ্বৰে পৰা ঈশ্বৰ বাণীৰ পৰম্পৰা বনি ইস্ৰাইল আৰু সিহঁতৰ দেশৰ মাজত সীমাবদ্ধ, আৰু যদি কোনোবাই সিহঁতৰ বংশধৰ আৰু সিহঁতৰ ভাষা এৰি নবী হোৱাৰ দাবী কৰে, তেখেতক সিহঁতে (আল্লাহ তায়লা ক্ষমা কৰক) মিছলীয়া বুলি কয়।

## চিন্তাধাৰাৰ মাজত সদৃশ

গতিকে এই সাদৃশ্য আশ্চৰ্য্যৰ বিষয় নহয় নে ?সিহঁত দুয়োটা জাতিয়ে নিজ নিজ কথাত একেই বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত।এনেদৰে পৃথিৱীত আৰু বহু জাতি আছে যিসকলে এই বিশ্বাসৰ ওপৰতেই প্ৰতিষ্ঠিত।উদাহৰণস্বৰূপ পাৰ্চী ধৰ্ম

নিজকে বেদতকৈ বহু আগৰ বুলি কৈ থাকে । ইয়াৰ দ্বাৰা প্ৰমাণীত হয় যে,এই বিশ্বাস (সদায় নিজ নিজ দেশ আৰু নিজ নিজ বংশ আৰু নিজ নিজ বাণী আৰু ঐশিক বাক্যৰ মাজত সীমাবদ্ধ কৰি লোৱাটো)কেৰল অহঙ্কাৰ আৰু অজ্ঞতাৰ বাবেই সৃষ্টি হৈ থাকে ।যিহেতু আদিম যুগ এনেদৰে অতিবাহিত হৈ গৈছে যে এটা জাতি আন এটা জাতিৰ অৱস্থা আৰু এখন দেশ আন এখন দেশৰ অস্তিত্বৰ পৰা অৱগত নাছিল । গতিকে এনে ধৰণৰ ভুল এনে সকলো জাতিৰ মাজত বিদ্যমান আছিল,যিসকলক খোদা তায়লাই কোনো গ্ৰন্থ প্ৰদান কৰিছিল বা খোদা তায়লাৰ প্ৰেৰিত কোনো নবী বা ৰচুল উক্ত জাতিৰ মাজত আৰিৰ্ভাৱ হৈছিল । তেতিয়া উক্ত জাতিসমূহে ভাবিছিল যে,খোদা তায়লাৰ ফালৰ পৰা যিখিনি শিক্ষাৰ প্ৰয়োজনীয়তা আছিল,সেই খিনি আমাক দি আছে, আৰু (সিহঁতে ভাবিছিল যে ) ঐশিক গ্ৰন্থ কেৰল সিহঁতৰ বংশ আৰু সিহঁতৰ জাতিক প্ৰদান কৰা হৈছে, আৰু গোটেই পৃথিৱী ইয়াৰ পৰা বঞ্চিত হৈ আছে ।এই ধৰ্ম বিশ্বাস খনে পৃথিৱীৰ বহুত ক্ষতি কৰিছে । আৰু এই ধৰ্ম বিশ্বাসৰ বাবেই পৰস্পৰৰ মাজত ঈৰ্ষা আৰু বিদ্বেষৰ ভিত্তি স্থাপন হৈ গৈছে । এসময়ত এটা জাতি আন এটা জাতিৰ পৰা অপৰিচিত আছিল আৰু এখন দেশ আৰু আন এখন দেশৰ মাজত পৰ্দা আছিল, আৰু আৰ্য্য সমাজৰ পণ্ডিতসকলে এই ধৰ্ম বিশ্বাস পোষণ কৰি আহিছিল যে, হিমালয় পৰ্বতৰ বিপৰীত ফালে কোনো জনবসতি নাই । কিন্তু যেতিয়া খোদা তায়লা মাজৰ পৰা পৰ্দাখন আঁতৰাই দিলে, আৰু পৃথিৱীৰ জনবসতি সম্পৰ্কে মানুহৰ জ্ঞান বৃদ্ধি পাব ধৰিলে,সেই সময় চোৱা এনেকুৱা আছিল যে, যিসকল মানুহে নিজ নিজঐশিক গ্ৰন্থ আৰু নিজ নিজ ঋষি আৰু মহাপুৰুষ

সকলৰ সম্পৰ্কে নিজ আন্তৰিকতাৰে ধৰ্ম বিশ্বাস সমূহৰ অন্তৰ্ভুক্ত কৰি লৈছিল, আৰু সেই ধৰ্ম বিশ্বাস সমূহক সিহঁতে নিজৰ হৃদয়ত শিলৰ দৰে কঠিন ভাবে ঠাই দিছিল। সেই কাৰণে প্ৰত্যেক জাতিয়ে ভাবিছিল যে, খোদা তায়লাৰ কৃপা সদায় সিহঁতৰ দেশতেই অৱতীৰ্ণ হৈ আছে। যিহেতু সেই সময়ত অধিকাংশ জাতিৰ মাজত জন্তুৰ দৰে চৰিত্ৰ বিদ্যমান আছিল, আৰু কোনোবাই চলন্ত নিয়ম উলঙ্ঘন কৰিলে তাক তৰোৱালৰ দ্বাৰা উত্তৰ দিয়া হৈছিল।গতিকে এটা জাতি আন জাতিৰ উত্তপ্ত ক্ৰোধ শীতল কৰি সিহঁতৰ মাজত সংশোধনৰ চেষ্টা কৰাৰ সাহস কৰিব পৰা নাছিল।গৌতম বুদ্ধ দেৱে সংশোধনৰ চেষ্টা কৰিছিল আৰু তেখেত এই কথা বিশ্বাস কৰা নাছিল যে বেদ অবিহনে আন একো নাই, আৰু তেখেতে জাতি,দেশ আৰু বংশৰ সেই বিশেষত্বক স্বীকাৰ কৰা নাছিল।অৰ্থাৎ তেখেত এনেধৰণৰ ধৰ্ম বিশ্বাস পোষণকাৰী নাছিল যে বেদৰ ওপৰতেই সকলো বস্তু নিৰ্ভৰশীল, আৰু এই ভাষা এই দেশখন আৰু এই ব্ৰাহ্মণ কেৱল ঈশ্বৰবাণী প্ৰাপ্তিৰ বাবে চিৰকালৰ দৰে তাৰ আদালতত ৰেজিষ্ট্ৰেট হৈ আছে।গতিকে তেখেতক এই মতভেদৰ কাৰণে বহু দুঃখ সহ্য কৰিবলগীয়া হৈছিল। তেখেতক বিধৰ্মী বুলি আখ্যায়িত কৰা হৈছিল। বৰ্তমান ইউৰোপৰ আৰু আমেৰিকাৰ অধিকাংশ ইতিহাস বিদ সকলে হজৰত ঈছা (আঃ)ক খোদা বুলি বিশ্বাস নকৰে।সিহঁতে এয়াও বিশ্বাস নকৰে যে খোদা তায়লাক ক্ৰুশ বিদ্ধ কৰা সম্ভৱ হয় নে ? এই কাৰণে খ্ৰীষ্টান পাদ্ৰীসকলৰ মতে সেই ইতিহাসবিদ সকল হ'ল বিধৰ্মী।

## মহাত্মা গৌতম বুদ্ধ দেৱ

এনেদৰে গৌতম বুদ্ধদেৱক এজন বিধৰ্মী বুলি আখ্যায়িত কৰা

হৈছিল ।এয়া সকলোৱে জানে যে বিৰোধী পক্ষৰ অভ্যাস যে সিহঁতে জনসাধাৰণক ঘৃণা আৰু হিংসা বিদ্বেষত লিপ্ত কৰাৰ বাবে তেখেতৰ ওপৰত বহু অপবাদ আৰোপ কৰা হৈছিল । অৱশেষত তেখেতক আৰ্য্য সমাজৰ পৰা আৰু দেশৰ পৰা বহিষ্কাৰ কৰি দিয়া হয় ।কিন্তু হজৰত ঈছা (আঃ)ৰ এই উক্তি অনুসৰি নবীসকলে নিজৰ মাতৃ ভূমিত কেতিয়াও সন্মান অৰ্জন কৰিব নোৱাৰে ।তেখেতে আন এখন দেশত গৈ বহু সন্মান অৰ্জন কৰিবলৈ সক্ষম হৈছিল আৰু বৰ্তমান কোৱা হয় যে,পৃথিৱীৰ তৃতীয় অংশই বুদ্ধ ধৰ্মৰ মানুহৰে পৰিপূৰ্ণ । তেখেতৰ অধিকাংশ মান্যকাৰী সকলৰ আচল কেন্দ্ৰ হ'ল চীন আৰু জাপান,কিন্তু বৰ্তমান দক্ষিণ ৰুচ আৰু আমেৰিকাতো বিস্তাৰ লাভ কৰিছে ।

## সঠিক ধৰ্ম বিশ্বাস

মৰমৰ বন্ধু সকল! খোদা তায়লাৰ বাবে এবাৰ ভাবি চাওঁকচোন । এনে ধৰণৰ ধৰ্ম বিশ্বাস মানুহে গ্ৰহণ কৰিব পাৰে নে বা কোনো প্ৰজ্ঞাই আকৌ ইয়াক সহযোগীতা কৰিব পাৰে নে ? মই বুজি নাপাওঁ যে এফালে খোদা তায়লাক সমগ্ৰ বিশ্বৰ খোদা বুলি বিশ্বাস কৰা আৰু আন ফালে সেই একে মুখেৰে এই কথা কোৱা যে তেওঁ সমগ্ৰ বিশ্বৰ (ৰবুবিয়ত) বা প্ৰতিপালন কাৰ্য্য এৰি দিছে ।কেৱল মাত্ৰ এটা বিশেষ জাতিৰ মাজত তাৰ কৃপা সীমাবদ্ধ কৰি ৰাখিছে । এয়া কেনে ধৰণৰ বুদ্ধিমত্তাৰ পৰিচয় ? বুদ্ধিমান সকলে নিজেই বিবেচনা কৰি চাওঁকচোন! ঈশ্বৰৰ সৃষ্টিকৰ্তা জগতত ইয়াৰ সমৰ্থনত কোনো ধৰণৰ প্ৰমাণ পোৱা যায় নে ?যদি পোৱা নাযায় তেনেহ'লে তাৰ আধ্যাত্মিক জগত কিয় এনেদৰে পক্ষপাতিত্বৰ ওপৰত প্ৰতিষ্ঠিত থাকিব ?

## নবীসকলৰ সন্মানহানি

বুদ্ধিক সঠিক ভাবে ব্যৱহাৰ কৰিলে প্ৰতিটো কামৰ ভাল বেয়া সেই কামৰ ফলাফলৰ পৰাই জানিব পৰা যায় ।নানা শ্ৰেণীৰ কোটি কোটি মানুহ যিসকল সন্মানীত নবীৰ দাসত্ব আৰু অনুসৰণৰ শৃংখলাত আবদ্ধ হৈ আছে সিহঁতক গালি দিয়াটো বা অপমান কৰাৰ ফলত যে কি হ'ব পাৰে আৰু অৱশেষত ইয়াৰ যে কি পৰিণাম হ'ব পাৰে সেই বিলাক বৰ্ণনা কৰা মোৰ একো প্ৰয়োজন নাই । এনে কোনো জাতি নাই যিসকলে এনেধৰণৰ কৰ্মৰ কিবা না কিবা পৰিণাম দেখা নাই ।

হে মোৰ মৰমৰ বন্ধুসকল! চিৰকালৰ অভিজ্ঞতা আৰু বাৰে বাৰে পৰীক্ষায় ইয়াক প্ৰমাণ কৰি দিছে যে বিভিন্ন জাতিৰ ধৰ্মগুৰুসকলক অবজ্ঞা কৰা আৰু তেখেত সকলক গালি দিয়াটো এনেধৰণৰ এটা বিষয় যাৰ পৰিণাম কেৱল দেহক ধ্বংস নকৰে, আত্মাকো ধ্বংস কৰি মানুহৰ ইহকাল আৰু পৰকালক বিনষ্ট কৰি দিয়ে। সেই দেশবাসীসকলে শান্তিপূৰ্ণ ভাবে বসবাস কৰিব নোৱাৰে যি দেশৰ অধিবাসীসকলে এজন আনজনৰ ধৰ্মগুৰুক দোষাৰোপ কৰে, আৰু সিহঁতৰ সন্মান হানিৰ কামত লিপ্ত থাকে ।সেইসকল জাতিৰ মাজত কেতিয়াও একতা আহিব নোৱাৰে যিসকলৰ এটা জাতি আন এটা জাতিৰ বা উভয় জাতি পৰস্পৰৰ নবী,ঋষি,আৰু মহাপুৰুষ সকলক দোষাৰোপ কৰিব বিচাৰে। নিজৰ নবী বা ধৰ্ম নেতাসকলৰ নামত সন্মান হানিৰ উক্তি শুনি কোনে বা খং নকৰিব ? বিশেষকৈ মুছলমান সকল এনেকুৱা এটা জাতি যে, যদিও সিহঁতে নিজৰ নবীক খোদা বা খোদাৰ পুত্ৰ বুলি নকয়, তথাপি সিহঁতে আঁহজৰত (ছাঃ) ক সেইসকল মনোনীত মানুহতকৈ শ্ৰেষ্ঠতম বুলি ভাবে যিসকল মাতৃগৰ্ভত জন্ম গ্ৰহণ কৰে। এজন নিষ্ঠাবান মুছলমানৰ লগত

কথা বতৰা পতাত সিহঁতৰ পৱিত্ৰ নবীৰ বিষয়ে সন্মান সূচক আৰু পৱিত্ৰ বাক্য ব্যৱহাৰ নকৰিলে এনেধৰণৰ মানুহৰ লগত শান্তি আৰু সৎ ভাব স্থাপন কৰাটো কেতিয়াও সম্ভৱ নহয়।

## সকলো নবী সৎ আছিল

আমি আন আন জাতিৰ নবী সকলক কেতিয়াও দোষাৰোপ নকৰো। আমাৰ ধৰ্ম বিশ্বাস হ'ল, বিভিন্ন জাতিৰ মাজত যিমান নবী আহিছিল আৰু কোটি কোটি মানুহ সেইসকলক গ্ৰহণ কৰিছে আৰু পৃথিৱীৰ কোনো কোনো অংশত সেইসকলৰ প্ৰেম আৰু ভক্তি প্ৰতিষ্ঠিত হৈছে আৰু দীৰ্ঘ কালৰ পৰা সেই প্ৰেম আৰু ভক্তি মানুহৰ হৃদয়ত প্ৰতিষ্ঠিত হৈ আছে। এই প্ৰমাণটোৱে সিহঁতৰ বাবে যথেষ্ট। কিয়নো সিহঁত আল্লাহৰ প্ৰেৰিত নহলে কোটি কোটি মানুহৰ হৃদয়ত সিহঁতৰ মৰম প্ৰতিষ্ঠা লাভ কৰিব নোৱাৰিলেহেঁতেন। আল্লাহ তায়লা নিজৰ মনোনীত ভৃত্যসকলৰ সন্মান আন কোনোবাক কেতিয়াও প্ৰদান নকৰে। কোনো মিছলীয়া সিহঁতৰ আসনত বহিব খুজিলে তেওঁক ধ্বংস কৰি দিয়া হয়।

## বেদ

গতিকে আমি বেদক ঐশিক গ্ৰন্থ বুলি বিশ্বাস কৰো, আৰু ইয়াৰ ঋষি সকলক পৱিত্ৰ বুলি বিশ্বাস কৰো। আমি ভাল দৰে জানো যে বেদৰ শিক্ষা কোনো জাতিক সম্পূৰ্ণ ভাবে ঈশ্বৰপ্ৰাপ্ত কৰি তুলিব পৰা নাই, আৰু গঢ়ি তুলিবলৈ সক্ষমও নহ'ব।যিসকল মানুহে এই দেশত মূৰ্তিৰ উপাসনা, অগ্নি পূজা,বায়ু পূজা,গঙ্গাৰ উপাসনা বা হাজাৰ হাজাৰ দেৱতা সমূহৰ

উপাসনা বা জৈন ধৰ্মৰ মানুহ বসবাস কৰে ।এইসকলে নিজৰ ধৰ্মক বেদৰ পৰা উৎপত্তি হৈছে বুলি বিশ্বাস পোষণ কৰে, আৰু বেদ এনে এখন পৰিপূৰ্ণ গ্ৰন্থ যে,এইসকল জাতিসমূহে তাৰে পৰাই নিজৰ নিজৰ ধৰ্ম বিশ্বাস উলিয়াই পোষণ কৰি থাকে । ইয়াৰ ওপৰিও খোদা তায়লাৰ শিক্ষা সম্পৰ্কে আমাৰ দৃঢ় বিশ্বাস হ'ল বেদ কোনো মানুহৰ ৰচিত গ্ৰন্থ নহয় ।কিয়নো মানুহৰ ৰচিত গ্ৰন্থ ইমান শক্তিশালী হ'ব নোৱাৰে যে, কোটি কোটি মানুহক নিজৰ ফালে আকৰ্ষিত কৰি এখন চিৰস্থায়ী ধৰ্ম প্ৰতিষ্ঠা কৰি লোৱাত সক্ষম হ'ব ।যদিওবা আমি বেদৰ মাজত পাথৰৰ উপাসনা কৰাৰ কথা কতো বিচাৰি পোৱা নাই ।কিন্তু ইয়াত কোনো সন্দেহ নাই যে, অগ্নি, বায়ু,পানী, চন্দ্ৰ আৰু সূৰ্য্য ইত্যাদিৰ পূজা পাঠেৰে বেদ পৰিপূৰ্ণ,আৰু কোনো এটা শ্ৰুতিতো এইবোৰ বস্তুৰ উপাসনা কৰাত নিষেধ কৰাৰ কথা উল্লেখ নাই ।এতিয়া কোনে বিশ্বাস কৰিব যে, হিন্দুসকলৰ আন আন পূৰ্বৰ জাতিসমূহ মিছলীয়া আছিল, আৰু কেৱল আৰ্য্য সমাজহৈ সজ বাটত প্ৰতিষ্ঠিত আছে,আৰু যিসকল মানুহে বেদৰ দৃষ্টান্ত দি এই বস্তুসমূহৰ উপাসনা কৰে, সিহঁতে শক্তিশালী প্ৰমাণ উপস্থাপন কৰি কয় যে,এই বস্তুসমূহৰ উপাসনাৰ কথা বেদৰ মাজত স্পষ্ট ভাবে উল্লেখ আছে । কতো নিষেধাজ্ঞা নাই,আৰু এই বস্তুবোৰ ঈশ্বৰ বুলি দাবী কৰাটো কেৱল মাত্ৰ এটা দাবীহে । যিটো এতিয়াও স্পষ্ট হোৱা নাই,আৰু যদি স্পষ্ট হৈ গ'লহেঁতেনতেনেহলে নিশ্চয় ইয়াৰ কোনো প্ৰমাণ থাকিলেহেঁতেন, আৰু ডাঙৰ ডাঙৰ পণ্ডিতসকলে বনাৰছ আৰু আন আন নগৰৰ আৰ্য্য সমাজৰ ধৰ্ম বিশ্বাস সমূহক গ্ৰহণ নকৰিলেহেঁতেন নে ? ৩০-৩৫ বছৰ চেষ্টাৰ পিছতো কিছু সংখ্যক মানুহে আৰ্য্য সমাজ অৱলম্বন কৰিছে ।

সনাতন ধৰ্ম বা আন আন হিন্দু সমাজৰ তুলনাত আৰ্য্য সমাজৰ সংখ্যা বহুত কম ।সিহঁতৰ সংখ্যা নাই বুলি ক'ব পাৰি, আৰু আন আন হিন্দু সমাজৰ ওপৰত সিহঁতৰ একো প্ৰভাৱ নাই । এনে দৰে নিয়োগ প্ৰথাৰ নিচিনা ঘৃণনীয় শিক্ষা বেদৰ মাজত উল্লেখ আছে বুলি কোৱা হয় । এয়া এনেধৰণৰ এটা বিষয় যাক সাধু আৰু জ্ঞানী মানুহে কেতিয়াও গ্ৰহণ কৰিব নোৱাৰে ।কিন্তু যিদৰে মই অলপ আগতে কৈছো যে এয়া বেদৰ শিক্ষা বুলি আমি বিশ্বাস নকৰো, আৰু আমাৰ পৱিত্ৰ আত্মা অতি কঠোৰ ভাষাৰে আমাক কয় যে, এনেধৰণৰ ঘৃণনীয় শিক্ষা আত্মসাৰ্থৰ বাবে বেদৰ ফালে ঠেলি দিয়া হৈছে ।বেদৰ পিছত হাজাৰ হাজাৰ বছৰ অতিবাহিত হৈ গৈছে গতিকে এনেও হ'ব পাৰে যে বিভিন্ন সময়ত বেদৰ কিছুমান লিখক সকলে তাৰ মাজত কিছু কম বেছি কৰি দিছে ।অৰ্থাৎ আমাৰ বাবে বেদৰ সত্যতা প্ৰমাণৰ বাবে এইখিনি প্ৰমাণে যথেষ্ট যে, আৰ্য্য সমাজৰ কোটি কোটি মানুহ হাজাৰ হাজাৰ বছৰ ধৰি বেদক ঈশ্বৰ বাণী বুলি বিশ্বাস কৰে, গতিকে ইমান সন্মান কোনো মানুহে ৰচিত গ্ৰন্থই পোৱাটো অসম্ভৱ বিষয় ।

## কোৰাণ শ্বৰীফৰ শিক্ষা

আমি ইমান সমস্যা সমুহৰ সন্মুখীন হোৱাৰ পিছতো খোদা তায়লাক ভয় কৰি বেদক ঐশিক গ্ৰন্থ বুলি বিশ্বাস কৰো, আৰু ইয়াত (বেদত) যিখিনি ভুল আছে সেইখিনিক আমি বেদৰ লিখকসকলৰ ভুল বুলি বিশ্বাস কৰো । এতিয়া কোৰাণ শ্বৰীফৰ যি প্ৰথমৰ পৰা শেষলৈকে একত্ববাদৰ শিক্ষাৰে পৰিপূৰ্ণ আৰু এয়া সম্পূৰ্ণ ভাবে সূৰ্য্য, চন্দ্ৰ ইত্যাদি উপাসনা শিক্ষাৰ পৰা পৱিত্ৰ আৰু স্পষ্ট ভাষাৰে কয় যে,

لَا تَسْجُدُوْا لِلشَّمْسِ وَلَا لِلْقَمَرِ وَاسْجُدُوْا لِلّٰهِ الَّذِىْ خَلَقَهُنَّ অৰ্থাৎ সূৰ্য্য আৰু

চন্দ্ৰৰ উপাসনা নকৰিবা। কেৱল আল্লাহ তায়লাৰ উপাসনা কৰা।যিজনে এইবোৰ সৃষ্টি কৰিছে।

ইয়াৰ উপৰিও কোৰাণ শ্বৰীফ খোদা তায়লাৰ চিহ্ন আৰু স্পষ্ট চিহ্ন সমূহৰ সাক্ষীও প্ৰদান কৰি থাকে।এয়া খোদা তায়লাৰ অস্তিত্বক প্ৰকাশ কৰাৰ বাবে দাপোনৰ নিচিনা কাম কৰে। তেনেহ'লে কিয় তাৰ ওপৰত জন্তুৰ দৰে আক্ৰমণ কৰা হয়। আমি যি দৰে আৰ্য্য সমাজৰ লোকসকলৰ প্ৰতি ব্যৱহাৰ প্ৰদৰ্শন কৰো সিহঁতে কিয় আমাৰ প্ৰতি তেনে দৰে ব্যৱহাৰ নকৰে, আৰু দেশৰ মাজত কিয় শত্ৰুতাৰ বীজ বপন কৰি আছে।ইয়াৰ ফলাফল ভাল হ'ব বুলি আশা কৰিব পৰা যায় নে ? যিজন ব্যক্তিয়ে ফুল উপহাৰ দিয়ে তাৰ ওপৰত শিলগুটি দলিয়াই দিয়াটো আৰু যিজন ব্যক্তিয়ে গাখীৰ উস্থাপন কৰে তাৰ ওপৰত পেচাব দলিয়াই দিয়াটো ন্যায় সন্মতি ব্যৱহাৰ হ'ব পাৰেনে ?

## সংশোধনৰ আহ্বান

যদি পৰিপূৰ্ণ শান্তি স্থাপনৰ বাবে হিন্দু আৰু আৰ্য্য সমাজৰ মহাশয় সকলে আমাৰ নবী (ছাঃ) ক খোদাৰ সত্য নবী বুলি মানি লোৱাত প্ৰস্তুত হয় আৰু ভৱিষ্যতে তেখেতৰ প্ৰতি তিৰস্কাৰ আৰু মিছা দোষাৰোপ কৰাৰ পৰা বিৰত থাকে তেনহলে এই ধৰণৰ অঙ্গীকাৰ পত্ৰত চহী কৰাত সকলোৰে আগত মই প্ৰস্তুত আছো যে আমি আহমদী সম্প্ৰদায় সদায় বেদৰ সততাক স্বীকাৰ কৰিম আৰু বেদ আৰু তাৰ ঋষি সকলৰ নাম সন্মান আৰু ভক্তিৰে উচ্চাৰণ কৰিম। নহ'লে এনেধৰণৰ এটা ডাঙৰ অৰ্থ সম্পদ স্বৰূপ হিন্দু মহাশয় সকলক দিম যি অৰ্থ সম্পদ তিনি লাখ টকাৰ কম নহ'ব । হিন্দু মহাশয় সকলে যদি আন্তৰিকতাৰে পৱিত্ৰ

হৃদয়ৰে এনেধৰণৰ সমাধানৰ ক্ষেত্ৰত প্ৰস্তুত হয় তেনেহ'লে সিহঁতেও যেন এনে ধৰণৰ অঙ্গীকাৰ পত্ৰ লিখি চহী কৰি দিয়ে। এই অঙ্গীকাৰ পত্ৰ এনেকুৱা হ'ব যে, আমি হজৰত মহম্মদ (ছাঃ)ৰ ৰিছালত আৰু নবুয়তক বিশ্বাস কৰো আৰু তেখেতক আল্লাহ তায়লাৰ সত্য নবী আৰু ৰচুল বুলি বিশ্বাস কৰো, আৰু ভৱিষ্যতে সদায় তেখেতৰ নাম শ্ৰদ্ধা আৰু সন্মানেৰে স্মৰণ কৰিম, আৰু যদি আমি এনেকুৱা নকৰো তেনেহ'লে এনে এটা সংখ্যাৰ টকা আহমদী জমাতৰ নেতাক দিম যি টকা তিনি লাখতকৈ কম নহ'ব, মনত ৰখা আমাৰ আহমদী জমাত এতিয়া চাৰি লাখৰ কম নহয়।এই কাৰণে ইমান ডাঙৰ কামৰ বাবে তিনি লাখ টকা চান্দা কোনো ডাঙৰ বিষয় নহয়।আৰু যিসকলে আমাৰ জমাতৰ এতিয়া বাহিৰে দুষ্কৃতিৰ ধাৰণা ৰাখে।কোনো এনেকুৱা নেতাৰ অধীনত নাই যিসকলে আনুগত্যৰ ভিতৰত। সেই কাৰণে সিহঁতৰ বিষয়ে একো ক'ব নোৱাৰো।এতিয়া সিহঁতে মোক কাফিৰ আৰু দাজ্জাল বুলি আখ্যায়িত কৰে।কিন্তু মই আশা কৰো যেতিয়া হিন্দু চাহাব সকলে মোৰ সৈতে এনেকুৱা অঙ্গীকাৰ কৰিব তেতিয়া সেই সকল মানুহেও এনেকুৱা ব্যৱহাৰৰ পৰা আঁতৰত থাকিব,আৰু এনেকুৱা মৰ্য্যদাপূৰ্ণ জাতিৰ গ্ৰন্থ আৰু ঋষি সকলক বেয়া ভাষাৰে আৰু হজতৰ মহম্মদ (ছাঃ)ক গালি দিয়াৰ পৰা বিৰত থাকিব।এনেকুৱা গালি সিহঁতৰ ফালেই সম্বোধন হব যি এনেকুৱা গালিৰ অৰ্ন্তভুক্ত হব।কাৰণ এনেকুৱা ব্যৱহাৰ লজ্জা আৰু ভদ্ৰতাৰ বিৰোধ হয়।সেই কাৰণে মই এয়া আশা নকৰো যে,এই অঙ্গীকাৰৰ পিছত সিহঁতে নিজৰ মুখ খুলিব। কিন্তু এয়া আৱশ্যকীয় যে এনেধৰণৰ চুক্তি পত্ৰক শক্তিশালী কৰাৰ বাবে উভয় পক্ষৰ পৰা দহ দহ হাজাৰ জ্ঞানী মানুহৰ চহী লোৱা আৱশ্যক।

মোৰ মৰমৰ দেশবাসীসকল! সম্প্ৰীতিৰ নিচিনা কাম্য আৰুএকো হ'ব নোৱাৰে। আহক আমি এনেধৰণৰ চুক্তি পত্ৰৰ যোগেদি একত্ৰিত হৈ এটা জাতিত পৰিণত হৈ যাওঁ। আপোনালোকে দেখি আছে যে,পৰস্পৰৰ মাজত মিছা আৰোপ কৰাৰ বাবে কিমান কাজিয়াৰ সৃষ্টি হৈ আছে, আৰু দেশৰ কিমান ক্ষতি হৈ আছে। এতিয়া ইয়াক পৰীক্ষা কৰি চাওঁক যে পৰস্পৰৰ সত্যতাক স্বীকাৰ কৰি লোৱাৰ মাজত কিমান কল্যাণ নিহিত হৈ আছে ।এয়াই শান্তি স্থাপনৰ উৎকৃষ্ট উপায় ।নতুবা আন যিকোনো উপায়ৰে শান্তি স্থাপনৰ চেষ্টাৰ দৃষ্টান্ত এনে যে যি বাহিৰত পৰিষ্কাৰ আৰু উজ্জ্বল অথচ আভ্যন্তৰত গেলা-পচা আৰু দুৰ্গন্ধময় তেজেৰে পৰিপূৰ্ণ এটা ফোঁহাক তাৰ বাহ্যিক উজ্জ্বলতাত সন্তুষ্ট হৈ তাক সেই অৱস্থাতেই এৰি দিয়াৰ নিচিনা হ'ব।

এই বক্তব্যসমূহ উল্লেখ কৰাত মোৰ আন কোনো উদ্দেশ্য নাই যে হিন্দু মুছলমান সকলৰ মাজত বৰ্তমান যি হিংসা বিদ্বেষ আৰু হাই কাজিয়া বৃদ্ধি পাই আহিছে ইয়াৰ মূল কাৰণ কেৱল ধৰ্মীয় মতভেদৰ মাজতেই সীমাবদ্ধ নহয়।

এয়া দৈহিক আনন্দৰ লগত সম্পৰ্কযুক্ত ।উদাহৰণস্বৰূপ পুৰণি কালৰে পৰা হিন্দুসকলৰ আশঙ্কা যে, সিহঁতে যেন চৰকাৰ আৰু দেশৰ বিষয়তো প্ৰৱেশ কৰিব পাৰে বা কম পক্ষে সিহঁতৰ পৰা যাতে দেশীয় বিষয়ত মন্তব্য প্ৰকাশ কৰা হয়, আৰু চৰকাৰ যাতে সিহঁতৰ প্ৰত্যেক অভিযোগৰ ফালে দৃষ্টিপাত কৰে, আৰু ইংৰাজ সকলৰ দৰে উচ্চ চৰকাৰী পদত প্ৰতিষ্ঠিত কৰিব পাৰে । মুছলমান সকলৰ অলপমান ক্ৰুটি হৈছে যে হিন্দুসকলৰ এনে প্ৰচেষ্টাৰ মাজত অংশগ্ৰহণ কৰা নাছিল, আৰু ভাবিছিল যে আমি সংখ্যাত কম হোৱাৰ বাবে সেই প্ৰচেষ্টাৰ জৰিয়তে যদি কিবা উপকাৰ সাধন হয়, সেয়া হিন্দুসকলৰ বাবেই হ'ব, মুছলমান সকলৰ বাবে নহয় ।গতিকে কেৱল অংশগ্ৰহণৰ ক্ষেত্ৰতেই আঁতৰত নাছিল ।হিন্দুসকলৰ বিৰোধীতা কৰি সিহঁতৰ চেষ্টাত বাধাগ্ৰস্ত হৈ থিয় হৈ গৈছিল ।যাৰ ফলতে হিংসা বিদ্বেষ আৰু বৃদ্ধি পাবলৈ ধৰিলে । মই ভাবো যে ইয়াৰ মাজতো আচল শত্ৰুতাৰ ওপৰত টীকা লিখা হৈছে । কিন্তু এই কথা কেতিয়াও বিশ্বাস নকৰো যে,এয়াই হ'ল ইয়াৰ মূল কাৰণ, আৰু মই সেই মহাশয় সকলৰ লগত একমত নহও, যিসকলে কয় যে,হিন্দু মুছলমান সকলৰ পৰস্পৰৰ মাজত হিংসা বিদ্বেষৰ মূল কাৰণ ধৰ্মীয় মতভেদ নহয় মতভেদৰ মূল কাৰণ ৰাজনীতি হে ।

## মতভেদৰ মূল কাৰণ

মহাশয় সকল!ইয়াৰ মূল কাৰণ আন একো নহয়,কেৱল ধৰ্মই হ'ল ইয়াৰ মূল কাৰণ । আজি যদি হিন্দু সকলে কলেমা তৈয়বা لَا اِلٰهَ اِلَّا اللهُ مُحَمَّدٌ رَّسُوْلُ اللهِ পাঠ কৰি মুছলমান সকলৰ লগত মীমাংসাৰ হাত আগবঢ়াই দিয়ে বা মুছলমান সকলে যদি হিন্দু ধৰ্ম অৱলম্বন কৰি বেদৰ আদেশ অনুসৰি অগ্নি,বায়ু ইত্যাদিৰ

উপাসনা আৰম্ভ কৰি দিয়ে আৰু ইছলাম ধৰ্মক বিদায় বুলি কৈ দিয়ে তেনেহ'লে যিবিলাক মতভেদ ৰাজনৈতিক নামেৰে নামাকৰণ কৰা হৈছে সেই বিলাক অতি শীঘ্ৰেই এনেকুবা ভাৱে নাইকীয়া হৈ যাব যে পূৰ্বতে নাছিলেই । গতিকে ইয়াৰ দ্বাৰা প্ৰমাণীত হয় যে সকলো ধৰণৰ হিংসা বিদ্বেষৰ মূল কাৰণ আচলতে ধৰ্মীয় মতভেদ । এই একেই ধৰ্মীয় মতভেদ পূৰ্বৰেই পৰা যেতিয়াই বাঢ়ি যায় তেতিয়াই তেজৰ নৈ বৈ যায় ।হে মুছলমান সকল! যিহেতু হিন্দু মহাশয় সকলে আপোনালোকৰ ধৰ্মীয় মতভেদৰ কাৰণে আপোনালোকক ভিন্ন জাতি বুলি বিশ্বাস পোষণ কৰে, আৰু এই কাৰণে আপোনালোকেও সিহঁতক ভিন্ন জাতি বুলি বিশ্বাস পোষণ কৰি আছে ।যেতিয়ালৈকে ইয়াক আঁতৰ কৰা নহ'ব তেতিয়ালৈকে পৰস্পৰৰ মাজত সমাধান হোৱাটো কেনেদৰে সম্ভৱ ? এই কথা সঁচা যে, কপটাচাৰীৰ দৰে পৰস্পৰৰ মাজত কেইদিন মানৰ বাবে বন্ধুত্ব স্থাপন হ'ব পাৰে, কিন্তু সেই আন্তৰিকতা যাক আমি পৰিষ্কাৰ বুলিও ক'ব পাৰি এয়া তেতিয়াই সৃষ্টি হ'ব পাৰে যেতিয়া আপোনালোকে বেদক বা বেদৰ ঋষি সকলক আন্তৰিকতাৰে খোদা তায়লাৰ প্ৰেৰিত মহাপুৰুষ বুলি বিশ্বাস কৰি ল'ব। আৰু এনেদৰেই হিন্দু সকলেও যাতে নিজ নিজ বিদ্বেষক পৰিত্যাগ কৰি আমাৰ নবী হজৰত মহম্মদ (ছাঃ) ৰ নবুয়তক সত্য বুলি বিশ্বাস কৰে ।মনত ৰাখিব আৰু ভালদৰে মনত ৰাখিব যে, আপোনালোকৰ মাজত আৰু হিন্দুসকলৰ মাজত পৰিপূৰ্ণ সংশোধনৰ কেৱল মাত্ৰ এয়াই এটা পদ্ধতি, আৰু এয়াই এনে এগিলাচ পানী যিয়ে শত্ৰুতাক ধুই পেলাব । কোনোবা দিন যদি এই দুয়োখন জাতিয়ে পৰস্পৰৰ মাজত বন্দুত্ব স্থাপন কৰি লয় তেতিয়াহে খোদা তায়লা সিহঁতক এই কথাৰ বাবে মুকলি কৰি দিব যাৰ বাবে আমাৰ হৃদয়সমূহক

মুকলি কৰি দিছে।

কিন্তু এতিয়া হিন্দুসকলৰ লগত সঁচাকৈয়ে সহানুভূতি প্ৰদৰ্শন কৰা উচিত। ভাল ব্যৱহাৰ আৰু শিষ্টাচাৰৰ অভ্যাস কৰা আৰু যিবিলাক কাম আমাৰ ধৰ্মৰ একান্ত পালনীয় কৰ্তব্য আৰু অতি প্ৰয়োজনীয় নহয়, যাৰ দ্বাৰা হিন্দুসকলৰ মনত দু:খ দিয়ে,এনে ধৰণৰ কামৰ পৰা নিজকে আঁতৰত ৰাখা । হিন্দু সকলে যদি আন্তৰিকতাৰে আমাৰ নবী (ছাঃ)ক সৎ বুলি মানি লয় আৰু তেখেতৰ প্ৰতি বিশ্বাস স্থাপন কৰে তেনেহলে গৰুৰ কাৰণে যি কাজিয়াৰ সৃষ্টি হৈছে সেয়াও মাজৰ পৰা আঁতৰ কৰি দিয়া উচিত। যি বস্তুক আমি বৈধ বুলি কওঁ তাক যে ব্যৱহাৰ কৰিবই লাগিব এয়া জৰুৰী নহয়। এনে ধৰণৰ বহুত বস্তু আছে যিবিলাক আমি বৈধ বুলি কওঁ কিন্তু কেতিয়াও ব্যবহাৰ নকৰো। কিন্তু হিন্দুসকলৰ প্ৰতি ভদ্ৰ আৰু ভাল ব্যৱহাৰ কৰা হ'ল আমাৰ অন্যতম আদেশ। যি আদেশ খোদা তায়লাক এক আৰু অদ্বিতীয় বুলি ভবা। গতিকে এটা প্ৰয়োজনীয় আৰু প্ৰশংসনীয় কামৰ বাবে অপ্ৰয়োজনীয় কামক ত্যাগ কৰাটো খোদা তায়লাৰ চৰিয়ত বিৰোধী নহয় ।বৈধ বুলি কোৱা বেলেগ কথা আৰু ব্যৱহাৰ কৰাটো বেলেগ কথা। ধৰ্ম হ'ল আল্লাহ তায়লাৰ নিষিদ্ধ বস্তু বিলাকৰ পৰা আঁতৰত থকা, আৰু তাৰ সন্তষ্টিৰ বাটত দ্ৰুত গতিত আগ বাঢ়ি যোৱা আৰু সৃষ্ট জীৱবোৰৰ প্ৰতি মঙ্গল আৰু পৃথিৱীৰ সকলো পৱিত্ৰ নবী আৰু মহাপুৰুষ সকলক, আল্লাহ তায়লাৰ প্ৰেৰিত নিজ নিজ সময়ৰ নবী আৰু মহাপুৰুষ বুলি মানি লোৱা, আৰু সিহঁতৰ মাজত প্ৰভেদ নকৰা, আৰু জাতি-ভেদ এৰি মানৱ জাতিৰ সেৱা কৰা। এয়াই হ'ল আমাৰ ধৰ্মৰ সাৰ-মৰ্ম।

## পৱিত্ৰ ধৰ্ম

মই কোনো জাতিক এনেই দোষাৰোপ কৰিব নিবিচাৰো আৰু কোনো মানুহৰ মনত দু:খ দিয়াটো মই ভাল নাপাওঁ ।কিন্তু অতি দু:খৰ সৈতে এই কথা ক'বলৈ বাধ্য হৈছো যে ইছলাম হ'ল সেই পৱিত্ৰ আৰু শান্তি স্থাপন কাৰী ধৰ্ম, যিয়ে কোনো ধৰ্মীয় গুৰুৰ ওপৰত আক্ৰমণ নকৰে,আৰু কোৰাণ শ্বৰীফ হ'ল সেই মহিমান্বিত গ্ৰন্থ যিয়ে জাতিসমূহৰ মাজত শান্তি স্থাপনৰ ভিত্তি স্থাপন কৰে, আৰু প্ৰত্যেক ধৰ্মৰ নবীক মানি লয়, আৰু বিশ্বৰ জাতি সমূহৰ মাজত শান্তি স্থাপন এই গৌৰৱ কেৱল মাত্ৰ কোৰাণ শ্বৰীফক প্ৰদান কৰা হৈছে ।যিয়ে আমাক এই শিক্ষা প্ৰদান কৰিছে যে لَا نُفَرِّقُ بَيْنَ اَحَدٍ مِّنْهُمْ وَنَحْنُ لَهٗ مُسْلِمُوْنَ অৰ্থাৎ হে মুছলমান সকল! তোমালোকে কোৱা, আমি তেখেতসকলৰ মাজত প্ৰভেদ নকৰো আৰু আমি তেওঁৰ (আল্লাহ তায়লাত) আত্মসমৰ্পন কৰো ।(৩:৮৫) এতিয়া যদি এনেধৰণৰ কোনো ধৰ্ম গ্ৰন্থ থাকে তেনেহ'লে তাৰ নাম উল্লেখ কৰা উচিত । কোৰাণ শ্বৰীফ আল্লাহ তায়লাৰ অনুগ্ৰহসমূহক কোনো বিশেষ বংশৰ মাজত সীমাবদ্ধ কৰা নাই আৰু ইস্ৰাইল বংশৰ যিমান নবী আছিল ইয়াকুব হওক বা ইচহাক হওক মুচা হওক বা দাউদ হওক বা ঈছা হওক সকলোকে মানি লৈছে , আৰু প্ৰত্যেক জাতিৰ নবী তেওঁ ভাৰতবৰ্ষৰ হওক বা পেৰিছৰ হওক কোনো এজনকো মিছলীয়া বুলি কোৱা নাই , আৰু স্পষ্ট ভাৱে কৈছে যে , প্ৰত্যেক জাতি আৰু দেশত নবী আহিছিল আৰু তেখেত সকলে নিজৰ শিক্ষাৰ জৰিয়তে সকলো জাতিৰ মাজত সম্প্ৰীতিৰ ভিত্তি স্থাপন কৰিছে ।কিন্তু দু:খৰ বিষয় হ'ল এই শান্তিৰ নবীকো প্ৰত্যেক জাতিয়ে গালি দি থাকে আৰু ঘৃণাৰ দৃষ্টিত দেখি থাকে ।

## শত্ৰুতাৰ বীজ

হে মোৰ মৰমৰ দেশবাসীসকল! মই আপোনালোকক দু:খ দিয়াৰ কাৰণে এই কথাবোৰ আপোনালোকৰ সন্মুখত উপস্থাপন কৰা নাই । মই নিতান্ত সৎ উদ্দেশ্যৰে এয়া নিবেদন কৰিব বিচাৰো যে,যিসকল জাতি এনেধৰণৰ স্বভাৱ আৰু নিজ নিজ ধৰ্ম পালনৰ বাবে এনে ধৰণৰ অন্যায় পন্থা অৱলম্বন কৰিছে যে আন আন জাতিৰ নবী সকলৰ নাম উচ্চাৰণ কৰোঁতে যাতে মানুহে বেয়া বাক্য আৰু দোষাৰোপ কৰিব পাৰে । সিহঁত কেৱল মাত্ৰ প্ৰমাণ বিহীন অন্যায় কৰ্ম কৰি আল্লাহ তায়লাৰ ওপৰত পাপী হ'ব সেয়াই নহয়, সিহঁত মানৱ জাতিৰ মাজত বিদ্বেষ আৰু শত্ৰুতাৰ বীজ বপন কৰি পাপৰও অংশীদাৰ হৈ আছে । আপোনালোকে বুকুত হাত ৰাখি মোৰ এই কথাৰ উত্তৰ দিয়কচোন যে, যিজন ব্যক্তি কোনোবাৰ দেউতাক গালি দিয়ে বা তাৰ মাকক দোষাৰোপ কৰে, সেই ব্যক্তি ইয়াৰ দ্বাৰা নিজৰ দেউতাকৰ সন্মানৰ ওপৰত আক্ৰমণ কৰে । এয়া নহয় নে ?কিয়নো যিজন ব্যক্তিক গালি দিয়া হয়, সেই ব্যক্তি যদি তাৰ বিপৰীতে গালি দিয়া ব্যক্তিজনৰ দেউতাকক তাতোকৈ বেছি বেয়া গালি দিয়ে, তেনেহ'লে এই কথা কোৱাত কি অন্যায় হ'ব নে যে, গালি খোৱাৰ প্ৰকৃত কাৰণ সেই ব্যক্তিয়েই যিজনে আগত গালি দিছিল ?এনেকুৱা পৰিস্থিতিত তেওঁ নিজেই নিজৰ মাক-দেউতাকৰ সন্মানৰ শত্ৰু হ'ব ।

## মূৰ্তিবিলাকক গালি দিয়া নিষিদ্ধ

আল্লাহ তায়লা আমাৰ বাবে কোৰাণ শ্বৰীফত ইমান সুন্দৰ আৰু ধুনীয়া শিক্ষা প্ৰদান কৰিছে যে,

لَا تَسُبُّوا الَّذِيْنَ يَدْعُوْنَ مِنْ دُوْنِ اللّٰهِ فَيَسُبُّوا اللّٰهَ عَدْوًا بِغَيْرِ عِلْمٍ

অৰ্থাৎ তোমালোকে সিহঁতৰ মূৰ্তি বিলাকক গালি নিদিবা। কিয়নো তাৰ বিপৰীতে সিহঁতে তোমালোকৰ খোদাক অৱজ্ঞাৰে গালি দিব। চুৰা-আল-আনাম -১০৯) ।এতিয়া চাওঁক যদিও আল্লাহ তায়লাৰ শিক্ষা অনুযায়ী মূৰ্তিৰ একো মূল্য নাই ।তথাপিও আল্লাহ তায়লা মুছলমান সকলক এই নীতি শিক্ষা দিছে যে মূৰ্তিবিলাকক বেয়া বুলি নকবা আৰু এনে নম্ৰ ভাষাত সিহঁতক বুজোৱা যাতে সিহঁতে উত্তেজিত হৈ খোদা তায়লাক গালি নিদিয়ে ।পিছত এনেধৰণৰ গালিৰ কাৰণ তোমালোকে নিজেই হৈ পৰিবা। সিহঁতৰ অৱস্থা যে কিমান শোচনীয় যিসকলে এই মহিমান্বিত নবীক গালি দিয়ে আৰু অপমানৰ বাক্যৰে তেখেতৰ নাম উচ্চাৰণ কৰে,আৰু নিকৃষ্ট জন্তুৰ দৰে তেখেতৰ সন্মান আৰু আচৰণৰ ওপৰত আক্ৰমণ কৰে। যিজন সন্মানীত নবীৰ নাম উচ্চাৰণ কৰোঁতে সন্মানীত সম্ৰাট সকলে সিংহাসনৰ পৰা নামি আহে আৰু যিজনৰ আদেশসমূহৰ সন্মুখত তেওঁলোক সকলোৱে মূৰ তল কৰি থিয় হৈ থাকে আৰু নিজকে তাৰ অধম দাসৰ অন্তৰ্গত বুলি ভাবে, তেখেতৰ এই অনুপম মহিমা আল্লাহ তায়লাৰ প্ৰদত্ত যদি নহয় তেনেহ'লে কি ? আল্লাহ তায়লাৰ প্ৰদত্ত মহিমাৰ প্ৰতি অৱজ্ঞা প্ৰদৰ্শন কৰা সেইসকল মানুহৰ কাম যিসকলে আল্লাহ তায়লাৰ লগত কাজিয়া কৰিব বিচাৰে। হজৰত মহম্মদ (ছাঃ) খোদা তায়লাৰ এনে এজন মনোনীত ৰছুল, যাৰ মৰ্য্যদা আৰু মহিমা প্ৰকাশ কৰাৰ বাবে খোদা তায়লা বাৰে বাৰে পৃথিৱীত নিদৰ্শন দেখুৱাইছে। কোটি কোটি মানুহৰ হৃদয় যাৰ বাবে আত্মসমৰ্পন হৈ গৈছে, তেখেতৰ সেই গৌৰৱ আল্লাহ তায়লাৰ প্ৰদত্ত নহয়

নে ? এয়া সঁচা কথা যে প্ৰত্যেক নবী নিজৰ সত্যতাৰ কিবা নহয় কিবা প্ৰমাণ এৰি গৈছে, কিন্তু যিমান প্ৰমাণ হজৰত মহম্মদ (ছাঃ) ৰ সত্যতা সম্পৰ্কে আছে আৰু বৰ্তমানলৈকে প্ৰকাশ পাইছে, ইয়াৰ প্ৰমাণ আন কোনো নবীৰ মাজত পোৱা নাযায় ।

## কৃপাৰ প্ৰয়োজনীয়তা

আপোনালোকে এই যুক্তি বুজিব নোৱাৰে যে, যেতিয়া পৃথিৱী পাপৰ মাজত ডুবি যায় আৰু আল্লাহ তায়লাৰ মানদণ্ডত কলহ কাজিয়া আৰু বিভিন্ন ধৰণৰ দু:সাহসিকতা সদাচাৰতকৈ বৃদ্ধি পায় ।তেতিয়া আল্লাহ তায়লা নিজ অনুগ্ৰহৰে নিজৰ কোনো এজন ভৃত্যক প্ৰেৰণ কৰি পৃথিৱীৰ দুষ্কৃতি সমাধান কৰিবলৈ উদ্ভৱ হৈ উঠে । ৰোগৰ বাবে চিকিৎসকৰ প্ৰয়োজন,এই কথা খিনি বুজাৰ যোগ্যতা নিশ্চয় সকলোতকৈ বেছি আপোনালোকৰ আছে,কিয়নো আপোনালোকে কৈ থাকে যে,বেদৰ প্ৰকাশ এনে সময়ত হোৱা নাছিল যেতিয়া পাপৰ ধুমুহা বৈ আছিল, এনে সময়ত হৈছিল যেতিয়া কোনো পাপৰ বান-পানী অহা নাছিল । গতিকে আপোনালোকৰ দৃষ্টিত এই কথাখিনি অনুমান কৰিব পৰা নাযায় নে যে, যেতিয়া পাপৰ প্ৰবল প্ৰবাহ প্ৰত্যেক দেশতে বেগেৰে বৈ আছিল, তেতিয়া কোনো নবী প্ৰকাশিত হোৱা বেছি যুক্তি সঙ্গত নাছিল নে ?

## আঁহজৰত (ছাঃ)ৰ সত্যতা

মই ভাবো যে, ঐতিহাসিক ঘটনাসমূহৰ পৰা আপোনালোকে নিশ্চয় অবগত আছে যে,যি সময়ত আমাৰ নবী হজৰত মহম্মদ (ছাঃ) ৰ আৱিৰ্ভাব হৈছিল সেই যুগ বৰ অন্ধকাৰৰ যুগ আছিল ।পৃথিৱীৰ প্ৰত্যেক দেশতেই সকলো ধৰণৰ বেয়া আৰু অন্ধবিশ্বাস বিৰাজমান আছিল ।যিদৰে পণ্ডিত দয়ানন্দ

মহাশয়ে নিজ গ্ৰন্থ **ছত্তাৰ্থ প্ৰকাশত** লিপিবদ্ধ কৰি গৈছে যে,তেতিয়া আৰ্য্য সমাজৰ মাজতো ঈশ্বৰৰ উপাসনাৰ ঠাইত মূৰ্তি উপাসনাই অধিকাৰ কৰি লৈছিল আৰু বৈধিক ধৰ্মও বিকৃত হৈ পৰিছিল ।এনেদৰে ইউৰোপৰ এজন খ্ৰীষ্টান পাদ্ৰী ফণ্ডু চাহাবে “**মিযানুল হক**”নামেৰে এখন পুস্তক ৰচনা কৰিছিল । তেওঁ নিজৰ পুস্তক “**মিযানুল হকত**”লিখিছে যে আঁহজৰত (ছাঃ)ৰ সময়ত সকলোতকৈ বেছি ভ্ৰষ্টাচাৰ খ্ৰীষ্টান ধৰ্মৰ মাজত বিৰাজমান আছিল,আৰু খ্ৰীষ্টান ধৰ্মৰ দোষ ক্ৰটিৰ বাবেই সিহঁতৰ আচৰণ এনেকুৰা হৈ পৰিছিল, আৰু কোৰাণ নিজেই নিজৰ অৱতীৰ্ণৰ প্ৰয়োজনীয়তা সম্পৰ্কে কয় যে, ظَهَرَ الْفَسَادُ فِي الْبَرِّ وَالْبَحْرِ অৰ্থাৎ মানুহৰ কু-কৰ্মৰ ফলত ভূমি আৰু সাগৰত ফাছাদ(ব্যাধি) সৃষ্টি হৈ গৈছে ।ইয়াৰ অৰ্থ হ'ল যে যি জাতিসমূহৰ মাজত বনৰীয়া জীৱ-জন্তুৰ দৰে আচাৰ ব্যৱহাৰ বিৰাজমান আছিল বা যিসকলে বুদ্ধিমত্তাৰ দাবী কৰিছিল । দুয়ো পক্ষই বিপৰ্যয়ৰ পৰা পৰিত্ৰাণ পোৱা নাছিল ।এতিয়া যিহেতু সকলো সাক্ষীৰ সৈতে প্ৰমাণীত হৈ গৈছে যে, আঁহজৰত (ছাঃ) ৰ যুগৰ মানুহ সিহঁত যিকোনো ঠাইৰ বাসিন্দা নহওক কিয়, পুবৰ বাসিন্দা হওক বা পশ্চিমৰ, আৰ্য্য সমাজৰ লগত সম্পৰ্কযুক্ত হওক বা আৰব দেশৰ মৰুভূমিৰ বাসিন্দা হওক বা দীপপুঞ্জত শান্তিৰে বসবাসকাৰী নহওক কিয় । সকলো জাতি ভ্ৰষ্টাচাৰত লিপ্ত আছিল, আৰু কোনো এটা জাতিৰও খোদা তায়লাৰ লগত ঘনিষ্ঠ সম্পৰ্ক নাছিল, আৰু ভ্ৰষ্টাচাৰে পৃথিৱীক অপৱিত্ৰ কৰি পেলাইছিল । এতিয়া কোনো বুদ্ধিমান ব্যক্তিসকলে বুজিব নোৱাৰে নে যে, এয়াই আছিল সেই সময় আৰু সেই যুগ যাৰ বিষয়ে মানুহে ক'ব পাৰে যে,এনে অন্ধকাৰ যুগত কোনো এজন মহান নবীৰ আৱিৰ্ভাবৰ প্ৰয়োজন

আছিল।

আঁহজৰত (ছাঃ) ৰ আৱিৰ্ভাবৰ প্ৰথম উদ্দেশ্য আছিল আৰব দেশৰ সংস্কাৰ কৰা।আৰব জাতিৰ অৱস্থা তেতিয়া এনেধৰণৰ আছিল যে,তেওঁলোকক মানুহ বুলি কোৱাটো কঠিন হৈ পৰিছিল। এনে কোনো বেয়া কাম নাছিল যাৰ মাজত সিহঁত লিপ্ত নাছিল। এনে কোনো শ্বিৰক নাছিল যিবোৰ সিহঁতৰ মাজত প্ৰচলিত নাছিল। চুৰি, ডকাইতি, সিহঁতৰ দৈনন্দিন কৰ্ম আছিল।অন্যায় ভাবে মানুহক হত্যা কৰাক সিহঁতে এটা পৰুৱাক ভৰিৰ তলতে শেষ কৰি দিয়াৰ নিচিনা ভাবিছিল। সিহঁতে এতিম শিশুসকলক হত্যা কৰি সিহঁতৰ সম্পত্তি নিজৰ অধীন কৰি লৈছিল।শিশু ছোৱালীক জীয়াই থকা অৱস্থাতে মাটিত পুতি থৈছিল, কু-কৰ্ম কৰি গৌৰৱ অনুভৱ কৰিছিল,আৰু নিজৰ কবিতাসমূহত ঘৃণনীয় কৰ্মৰ কথা গৌৰৱৰ সৈতে বৰ্ণনা কৰিছিল। সুৰা পান কৰাৰ ইমান অভ্যাস আছিল যে কোনো এখন ঘৰ সুৰা পান কৰাৰ বাহিৰত নাছিল।জুৱা খেলত সিহঁতে আন আন দেশতকৈ বহু আগবাঢ়ি আছিল। সিহঁতে সকলো ধৰণৰ ঘৃণনীয় কৰ্মত বনৰীয়া হিংস্ৰ জন্তুবিলাকক চেৰ পেলাই গৈছিল।

এনে সময়তে আমাৰ নবী (ছাঃ) যেতিয়া সিহঁতৰ সংস্কাৰ সাধনৰ বাবে থিয় হ'ল, আৰু আন্তৰিক একাগ্ৰতাৰে সিহঁতৰ চৰিত্ৰ পৱিত্ৰ কৰাৰ বাবে থিয় হ'ল।তেতিয়া সিহঁতৰ হৃদয়ত তাৎক্ষনিক ভাৱেএনেকুৱা পৰিৱৰ্তন দেখা দিলে যে,সিহঁতে লাহে লাহে বনৰীয়া জীৱ-জন্তুৰ পৰা মানুহ,আৰু মানুহৰ পৰা সংস্কৃতিবান মানুহ, আৰু সংস্কৃতিবান মানুহৰ পৰা খোদা ভীৰু মানুহত পৰিণত হৈ যায় যে, সিহঁতে অনুভূতিহীন অংগৰ দৰে খোদা তায়লাৰ সন্তুষ্টি অৰ্জনাৰ্থে সকলো ধৰণৰ দু:খ কষ্ট সহ্য

কৰিব ধৰিলে ।সিহঁতক বহুত ধৰণৰ  দু:খ দি নিৰ্যাতিন কৰা হৈছিল, গৰম বালিৰ মাজত সিহঁতক শুৱাই ৰখা হৈছিল , আৰু ভোক আৰু পিয়া অৱস্থাত ৰাখি সিহঁতক হত্যা কৰা হৈছিল ।কিন্তু সকলো ধৰণৰ বিপদৰ সময়ত সিহঁতৰ ঈমান বৃদ্ধি পাইছিল । সিহতৰ বহুতেই এনেকুৱা আছিল যে,সিহঁতৰ সন্তান সকলক সিহঁতৰ চকুৰ সন্মুখতে হত্যা কৰা হৈছিল, আৰু  বহুতক সিহঁতৰ নিজৰ সন্তানৰ সন্মুখতে ক্রুশ বিদ্ধ কৰা হৈছিল ।সিহঁতে যি সত্যৰ সৈতে আল্লাহৰ সন্তষ্টি অৰ্জনাৰ্থে নিজৰ জীৱন বিৰ্সজন দিছিল সেয়া অনুতাপ কৰিলে চকুপানী ওলায় আহে ।যদি এই পৰিৱৰ্তন সিহঁতৰ হৃদয়ত আল্লাহ তায়লাৰ সন্তষ্টি অৰ্জনৰ প্ৰভাৱত  আৰু আল্লাহ তায়লাৰ নবীৰ একাগ্ৰতাৰ ফলত নহয়,তেনেহ'লে সেইটো কি বস্তু আছিল , যিয়ে সিহঁতক ইছলামৰ ফালে আকৃষ্ট কৰিছিল ?আৰু অসাধাৰণ পৰিৱৰ্তন সাধন কৰি  এনে এজন মানুহৰ বাবে জীৱন বিসৰ্জন দিয়াত আগ্ৰহী হৈ  উঠিছিল, যিয়ে অসহায় সম্পদহীন আৰু স্বাৰ্থহীন অৱস্থাত মক্কাৰ প্ৰতিটো ঠাইত অকলশৰীয়াকৈ ফুৰিছিল । নি:সন্দেহ কোনো আধ্যাত্মিক শক্তিয়ে সিহঁতক নিম্ন শ্ৰেণীৰ পৰা উচ্চ শ্ৰেণীলৈ উঠাই আনিছিল ।ইয়াতকৈ বেছি  আশ্চৰ্যকৰ বিষয় হ'ল যে,সিহঁতৰ বেছিভাগেই অবিশ্বাস অৱস্থাতে হজৰত মহম্মদ (ছাঃ)ৰ প্ৰাণৰ শত্ৰু আছিল ।গতিকে মোৰ হিচাপে  ইয়াতকৈ  ডাঙৰ অলৌকিক  নিদৰ্শন  আৰু  একো  হ'ব নোৱাৰে যে,কেনেদৰে এজন দুখীয়া,দৰিদ্ৰ, অকলশৰীয়া আৰু অসহায় ব্যক্তিজনে সকলো মানুহৰ হৃদয় সমূহক হিংসাৰ পৰা মুক্ত কৰি নিজৰ ফালে এনেদৰে আকৰ্ষণ কৰাত সক্ষম হ'ল যে সিহঁতে গৌৰৱৰ পোছাক আঁতৰ কৰি ফটা-পুৰণি পোছাক পিন্ধি খেদমত কৰাৰ বাবে প্ৰস্তুত হয় ।

## জিহাদৰ ভুল ধাৰণা

বহু নিৰ্বোধি মানুহে আকৌ ইছলামৰ বিৰুদ্ধে জিহাদৰ বিষয়ে দোষাৰোপ কৰি থাকে আৰু কয় যে, উপযুক্ত লোকসকলক তৰোৱালৰ জৰিয়তে বল প্ৰয়োগ কৰি মুছলমান বনোৱা হৈছিল। অতি দু:খৰ বিষয় হ'ল এনেধৰণৰ দোষাৰোপকাৰী সকলে অবিচাৰৰ ক্ষেত্ৰত আৰু সত্য গোপনৰ ক্ষেত্ৰত সীমা লঙ্ঘন কৰি গৈছে। হায়! এওঁলোকে কিয় জানি বুজি সৎ ঘটনাৰ পৰা মুখখন ঘূৰাই লয়। আমাৰ নবী (ছাঃ) আৰব দেশত কোনো ৰজা হিচাপে প্ৰকাশ হোৱা নাছিল যে,যাৰ দ্বাৰা ধাৰণা কৰিব পৰা যায় যে তেখেতৰ বলপ্ৰয়োগত হাত আছিল,যাৰ ফলত মানুহ নিজৰ জীৱন ৰক্ষাৰ বাবে তেখেতৰ পতাকাৰ তলত আহি গৈছিল। গতিকে প্ৰশ্ন এয়াই যে, তেখেতে দৰিদ্ৰ আৰু অসহায় অৱস্থাত যেতিয়া অকলশৰীয়াকৈ আল্লাহ তায়লাৰ একত্ববাদ আৰু নিজৰ নবুয়তৰ দাবী কৰা আৰম্ভ কৰিলে। তেতিয়া মানুহে তৰোৱালৰ ভয়ত তেখেতৰ ওপৰত ঈমান আনিছিল, আৰু যদি কোনোবাই ঈমান অনা নাছিল , তেতিয়া সিহঁতৰ ওপৰত বল প্ৰয়োগৰ বাবে কোনো ৰজাৰ পৰা সৈন্য-বাহিনীৰ সহায় বিচাৰিছিল নে ?হে সত্যৰ সন্ধানী সকল! আপোনালোকে নিশ্চয় মনত ৰাখিব যে,এইবোৰ কথা কেৱল ইছলামৰ শত্ৰু সকলৰ প্ৰৱঞ্চনা হে।

## আঁহজৰত (ছাঃ) ৰ জীৱন চৰিত্ৰ

ইতিহাসৰ ফালে লক্ষ্য কৰক! আঁহজৰত (ছাঃ) এনে এজন শিশু আছিল যাৰ জন্মৰ আগতেই তেখেতৰ দেউতাৰ মৃত্যু হৈ যায়,আৰু মাকেও কেৱল তেখেতৰ কেইবছৰমান বয়স হওতেই মৃত্যুবৰণ কৰে। তেতিয়াৰ পৰা সেই শিশুৰ আল্লাহ তায়লাৰ আশ্ৰয় অবিহনে তাৰ কোনো উপায় নাছিল।তেখেত

আল্লাহ তায়লাৰ আশ্ৰয়ত প্ৰতিপালিত হৈছিল । এনেদৰে অসহায়,মা-দেউতাহীন অৱস্থাত তেখেতে মানুহৰ ছাগলী চৰোৱাৰ কামো কৰিছিল ।আল্লাহ তায়লাৰ বাহিৰে তেখেতৰ আন কোনো পৃষ্ঠপোষক নাছিল । ২৫ বছৰ বয়স লৈকে কোনো খুৰাই  তেখেতক নিজৰ কন্যাক বিয়া দিয়া নাছিল ।কিয়নো বাহ্যিক দৃষ্টিত তেখেতে পৰিয়ালক প্ৰতিপালন কৰাৰ ক্ষমতা নাছিল । তেখেত নিৰক্ষৰ আছিল । কোনো শিল্প বা বাণিজ্যিক বিষয়ত অজ্ঞ আছিল । ইয়াৰ পিছত যেতিয়া ৪০ বছৰ বয়সত উপনিত হ'ল,তেতিয়া  তেখেতৰ হৃদয় সম্পূৰ্ণ ভাৱে  আল্লাহ তায়লাৰ ফালে  আকৃষ্ট হৈ পৰিল ।মক্কাৰ পৰা কিছু মাইল দূৰ **হিৰা** নামৰ এখন পৰ্বতৰ গুহা আছে ।তেখেতে অকলশৰীয়াকৈ সেই গুহাত গৈছিল আৰু লুকাই আল্লাহ তায়লাৰ উপাসনা কৰিছিল । এদিন তেখেতে সেই গুহাত অকলেই খোদা তায়লাৰ আৰাধনাত মগ্ন আছিল ।এনে সময়ত খোদা তায়লা নিজেই তেখেতৰ ওপৰত প্ৰকাশিত  হ'ল আৰু এই আদেশ দিলে যে, পৃথিৱী খোদা তায়লাৰ বাট এৰি দিছে আৰু  পাপত লিপ্ত হৈ গৈছে ।এই কাৰণে মই তোমাক মোৰ ৰচুল হিচাপে প্ৰেৰণ কৰি আছো । তুমি মানুহক সতৰ্ক কৰি দিয়া,সিহঁতে যেন মোৰ শাস্তি অহাৰ আগতেই মোৰ ফালে উভতি আহে । তেখেতে(ছাঃ) নিজে নিৰক্ষৰ আছিল বুলি এই আদেশ শুনি ভয় পালে আৰু কলে যে, মই পঢ়িব নোৱাৰো । তেতিয়া খোদা তায়লা তেখেতৰ হৃদয়ক  সকলো ধৰণৰ আধ্যাত্মিক জ্ঞানেৰে পৰিপূৰ্ণ কৰি আলোকিত কৰি দিলে ।তেখেতৰ পৱিত্ৰ শক্তিৰ ক্ষমতা দেখি প্ৰভাৱিত হৈ দৰিদ্ৰ আৰু দুৰ্বল ব্যক্তি সকলে তেখেতৰ শিষ্যত্ব গ্ৰহণ কৰা আৰম্ভ কৰিব ধৰিলে ।আনফালে সমাজৰ সম্পদশালী ব্যক্তি সকলে শত্ৰুতা আৰম্ভ কৰি দিলে ।অৱশেষত সিহঁতে

তেখেতক হত্যা কৰাৰ বাবে প্ৰস্তুত হৈ গ'ল, আৰু কিছু সংখ্যক নাৰী-পুৰুষক দু:খ দি নিহত কৰি দিলে, আৰু সিহঁতে আঁহজৰত (ছাঃ) ক হত্যা কৰাৰ বাবে বেৰি লয় ।কিন্তু যাক খোদা তায়লা ৰক্ষা কৰে তাক কোনে মাৰিব পাৰে ? তেখেতক খোদা তায়লা ওহী বা ঐশিক বাণীৰ দ্বাৰা আদেশ কৰিলে যে, এই নগৰ এৰি ওলাই যোৱা, মই প্ৰত্যেক পদক্ষেপত তোমাৰ লগত থাকিম ।তেতিয়া তেখেত মক্কা নগৰৰ পৰা হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) ক লগত লৈ ওলাই গ'ল, আৰু গোটেই ৰাতি **গাৰে ছুৰ** নামৰ গুহাত লুকাই থাকিলে । শত্ৰুসকলে তেখেতক আক্ৰমণ কৰাৰ বাবে পিছে পিছে আহিলে,আৰু গুহাৰ কাষত উপস্থিত হৈ গ'ল,কিন্তু এজনে গুহা-লৈকে ভৰিৰ চিহ্ন দেখি ক'ব ধৰিলে যে এই গুহাত অনুসন্ধান কৰা, কাৰণ ইয়াৰ আগত আৰু কোনো খোজৰ চিহ্ন নাই, আৰু যদি তেওঁ ইয়াৰ পৰা কৰোবাত গৈ থাকে তেনেহলে তেওঁ নিশ্চয় আকাশত গৈছে । কিন্তু ঐশ্বৰিক শক্তিৰ বিস্ময়কৰ কাৰ্য্যৱলীক কোনোবা সীমাবদ্ধ কৰিব পাৰেনে ?আল্লাহ তায়লা এটা ৰাতিয়েই নিজৰ মহিমা এনেদৰে প্ৰকাশ কৰি দিলে যে, মকৰাৰ জাল বনাই সেই গুহাটোৰ সকলো মুখ বন্ধ কৰি দিলে, আৰু এজনী পাৰ চৰাইয়ে সেই গুহাটোৰ মুখত বাহ সাজি কণী পাৰি দিলে । যেতিয়া সেই খোজ লোৱা ব্যক্তিজনে নিজৰ লগৰীয়া সকলক সেই গুহাৰ মাজত সোমাবলৈ কলে,তেতিয়া এজন প্ৰবীণ্ ব্যক্তিয়ে কলে যে,এই খোজ লগোৱা ব্যক্তিজন পাগল হৈ গৈছে, মই এই জালটো মহম্মদ (ছাঃ)ৰ জন্মৰ পূৰ্বৰ পৰাই গুহাৰ মুখত দেখি আছো ।এই কথা শুনি সকলোৱে ইফাল সিফাল হৈ গুচি গ'ল, আৰু গুহাৰ আলোচনা-বিলোচনা সমাপ্ত হৈ গ'ল ।

ইয়াৰ পিছত আঁহজৰত (ছাঃ) গোপন ভাবে মদিনাত

উপস্থিত হ'লগৈ,আৰু মদিনাৰ অধিবাসীৰ অধিকাংশ মানুহে তেখেতক গ্ৰহণ কৰি ললে ।এয়া দেখি মক্কাৰ অধিবাসীসকলৰ মন খংত আৰু বেছিকৈ জ্বলি উঠিল । সিহঁতে এই কাৰণে ক্ষুব্দ হৈ পৰিল যে, চিকাৰ হাতৰ পৰা ওলাই গ'ল । ইয়াৰ পিছত সিহঁতে দিন-ৰাতিএনে ষড়যন্ত্ৰ কৰিব ধৰিলে যে,কেনেদৰে আঁহজৰত (ছাঃ)ক হত্যা কৰিব পৰা যায় ।মক্কাৰ অধিবাসীসকলৰ মাজত যি অলপ সংখ্যক মানুহ আঁহজৰত (ছাঃ) ৰ ওপৰত ঈমান আনিছিল সিহঁতে দেশ এৰি বিভিন্ন দেশলৈ যোৱাৰ বাবে বাধ্য হৈ পৰিল ।তাৰে ভিতৰত কিছুমান হাবশ্বাৰ ৰজাৰ ওচৰত আশ্ৰয় লৈছিল আৰু বাকী সকলে অভাৱগ্ৰস্তৰ কাৰণে মক্কাতেই থাকিবলৈ বাধ্য হৈ পৰিল । সিহঁতৰ ওপৰত অমানসিক অত্যাচাৰ চলোৱা হয় ।এই সকলো অত্যাচাৰৰ সন্মুখীন হৈ সিহঁতে দিন-ৰাতি আল্লাহ তায়লাৰ ওচৰত সহায় বিচাৰিছিল যি কোৰাণ শ্বৰীফত বৰ্ণিত আছে ।

আৰু যেতিয়া বিধৰ্মী কুৰাইশ্ব সকলৰ অত্যাচাৰ সীমা অতিক্ৰম কৰি গ'ল, আৰু যেতিয়া সিহঁতে দৰিদ্ৰ মহিলা আৰু এতিম (মাউৰা) শিশু সকলক হত্যা কৰিব ধৰিলে, আৰু কিছুমান মহিলা সকলকএনে নিষ্ঠুৰ ভাবে হত্যা কৰিব ধৰিলে যে,সিহঁতৰ দুয়োখন ভৰিক দুটা উটৰ লগত বান্ধি সেই উট দুয়োটাক বিপৰীত মুখী দৌৰাই সেই মহিলা সকলক দ্বিখণ্ডিত কৰি দিছিল ।যেতিয়া নিষ্ঠুৰ কাফেৰ সকলৰ অত্যাচাৰ অত্যন্ত বৃদ্ধি পালে । তেতিয়া আল্লাহ তায়লা যিয়ে নিজৰ ভৃত্যসকলৰ প্ৰতি অনুগ্ৰহ কৰি থাকে, নিজৰ ৰচুলৰ ওপৰত ওহী অৱতীৰ্ণ কৰিলে যে, যিসকলে নিষ্পাপ মানুহৰ ওপৰত তৰোৱালেৰে আঘাত কৰিব সিহঁত তৰোৱালৰ দ্বাৰা ধ্বংস হৈ যাব, কিন্তু তোমালোকে সীমা লঙ্ঘল নকৰিবা । কিয়নো আল্লাহ তায়লা সীমা লঙ্ঘলকাৰী সকলক ভাল নাপায় ।

## ধৰ্মত বল প্ৰয়োগ কৰিব নোৱাৰে

এয়াই ইছলামী জিহাদৰ প্ৰকৃত তাৎপৰ্য্য।ইছলামৰ শত্ৰুসকলে এই জিহাদক নিতান্ত অন্যায় ভাবে বিকৃত কৰি বৰ্ণনা কৰিছে।আল্লাহ তায়লা নিশ্চয় কোমল হৃদয়, কিন্তু যেতিয়া কোনো জাতি অপৰাধৰ সীমা লঙ্ঘন কৰি দিয়ে,তেতিয়া তেওঁ অত্যাচাৰীক শাস্তি নিদিয়াকৈ এৰি নিদিয়ে,আৰু তেওঁ নিজেই সিহঁতৰ বাবে ধ্বংসৰ উপকৰণ সৃষ্টি কৰি দিয়ে।মই নাজানো আমাৰ বিৰুদ্ধাচাৰণ কৰা সকলে তৰোৱালৰ বলত ইছলাম প্ৰসাৰ লাভ কৰিছে বুলি কʼত শুনিছে। খোদা তায়লা কোৰাণ শ্বৰীফত কয় যে, لَا إِكْرَاهَ فِي الدِّينِ অৰ্থাৎ ধৰ্মত বল প্ৰয়োগ কৰিব নোৱাৰে(চুৰা বাকাৰা আয়াত ২৫৭)।তেনেহলে কোনে বল প্ৰয়োগৰ আদেশ দিছিল ? আৰু বল প্ৰয়োগ কৰাৰ উপকৰণ কি আছিল ?যিসকল মানুহক বল প্ৰয়োগ কৰি মুছলমান বনোৱা হয় সিহঁতৰ ধৰ্ম বিশ্বাস আৰু নিষ্ঠা কেতিয়াবা শক্তিশালী হʼব পাৰেনে যে কেৱল মাথোন দুই তিনি শ মানুহে বিনা দৰমাহৰে হাজাৰ হাজাৰ শত্ৰুৰ সন্মুখীন হʼব। আকৌ যেতিয়া হাজাৰত পৰিণত হয় তেতিয়া লাখ লাখ শত্ৰুক পৰাজিত কৰি দিয়ে, আৰু শত্ৰুৰ হাতৰ পৰা ধৰ্মক ৰক্ষা কৰাৰ বাবে গৰু-ছাগলীৰ নিচিনা নিজৰ ডিঙি কটোৱাই দিয়ে, আৰু নিজৰ তেজেৰে ইছলামৰ সত্যতাৰ প্ৰমাণ লিপিবদ্ধ কৰি যায়।আল্লাহ তায়লাৰ একত্ববাদ প্ৰচাৰ কৰাৰ বাবে সিহঁত এনেভাবে আগ্ৰহী হʼব পাৰেনে যে সন্নাসী সকলৰ দৰে কঠোৰ দু:খ সহ্য কৰি আফ্ৰিকাৰ মৰুভূমিত উপস্থিত হৈ যাব, আৰু সেই দেশত ইছলামৰ প্ৰচাৰ কৰিব, আৰু

সকলো ধৰণৰ দু:খ সহ্য কৰি চীন দেশলৈকে গৈ যুদ্ধৰ কাৰণে নহয়,মাথোন সন্নাসীৰ দৰে সেই দেশত গৈ ইছলামৰ আহ্বান জনায় ।সিহঁতৰ কল্যাণময় প্ৰচাৰৰ ফলতে দেশত কোটি কোটি মানুহ ইছলাম ধৰ্ম গ্ৰহণ কৰি লয় ।আকৌ সিহঁতে বস্তা পৰিধানকাৰী সন্নাসীৰ দৰে ভাৰতবৰ্ষত আগমণ কৰিছিল,আৰু আৰ্য্য সমাজৰ বহু অংশই ইছলামৰ জৰিয়তে সৌভাগ্যশালী হৈছিল,আৰু ইউৰোপৰ সীমান্তলৈ لَا إِلٰهَ إِلَّا الله ৰ সংবাদ পৌঁছাই দিয়ে। এতিয়া আপোনালোকে কওঁকচোন,যিসকলক বল প্ৰয়োগ কৰি মুছলমান বনোৱা হয় আৰু যিসকলৰ হৃদয় বিধৰ্মী আৰু মুখত সত্যবাদী সিহঁতৰ জৰিয়তে এনে ধৰণৰ কাম সম্পন্ন হ'ব পাৰে নে ?কিন্তু যিসকলৰ হৃদয় ঈমানৰ জ্যোতিৰে পৰিপূৰ্ণ হৈ যায় আৰু হৃদয়ৰ মাজত খোদা তায়লাৰ সন্তুষ্টি অবিহনে একো নাথাকে, এনে লোকসকলৰ জৰিয়তেহে এনেধৰণৰ কাম সম্পন্ন হোৱা সম্ভৱ ।

## ইছলামী শিক্ষা

এতিয়া মই ক'ব বিচাৰো যে,ইছলামৰ শিক্ষা কি ? উল্লেখ যোগ্য যে,ইছলামৰ মূল উদ্দেশ্য হ'ল এই পৃথিৱীত আল্লাহ তায়লাৰ একত্ববাদ আৰু তাৰ মহত্ত্ব আৰু অনুগ্ৰহৰ ৰাজত্ব প্ৰতিষ্ঠা কৰা, আৰু সকলো জাতিক একত্ববাদৰ বন্ধনত আবদ্ধ কৰি সকলো পাপৰ পৰা পৰিত্ৰাণ কৰি কেৱল এটা জাতিত পৰিণত কৰি দিয়া, আৰু পূৰ্বত যিমান ধৰ্ম পৃথিৱীৰ পৰা বিদায় লৈছে আৰু যিমান নবী আৰু ৰছুলৰ আগমন ঘটিছে সিহঁতৰ উদ্দেশ্য নিজ নিজ জাতি আৰু দেশতেই সীমাবদ্ধ আছিল,যদিওবা সিহঁতে কিছুমান চৰিত্ৰ গঠনৰ পদ্ধতিও

শিকাইছিল গতিকে সেই চাৰিত্ৰিক শিক্ষাৰ মূল উদ্দেশ্য ইয়াতকৈ বেছি নাছিল যে, কেৱল নিজ নিজ জাতিসমূহকে সিহঁতৰ চৰিত্ৰৰ জৰিয়তে আলোকিত কৰিছিল ।হজৰত ঈছা (আঃ) স্পষ্ট ভাবে কৈছে যে,মোৰ শিক্ষা কেৱল মাত্ৰ বনি ইস্ৰাইল পৰ্যন্ত সীমাবদ্ধ ।যেতিয়া এজনী মহিলাই যিজনী ইস্ৰাইলী বংশৰ অৰ্ন্তগত নাছিল অতি ভদ্ৰতাৰ সৈতে তাৰ পৰা হিদায়ত বিচাৰিছিল,কিন্তু তেওঁ তাইক একো হিদায়ত দিয়া নাছিল । সেই দৰিদ্ৰ মহিলাজনী নিজকে কুকুৰৰ লগত তুলনা কৰি আকৌ হিদায়ত বিচাৰিলে । সেইবাৰো তাই সেই একেই উত্তৰ পালে যে, মোক কেৱল ইস্ৰাইলৰ ভেড়া বিলাকৰ বাবে প্ৰেৰণ কৰা হৈছে ।

কুৰাণ শ্বৰীফত উল্লেখ আছে যে, قُلْ يَاَيُّهَا النَّاسُ اِنِّىْ رَسُوْلُ اللهِ اِلَيْكُمْ جَمِيْعًا অৰ্থাৎ হে মহম্মদ (ছাঃ) তুমি কৈ দিয়া, হে মানৱজাতি মই তোমালোকৰ সকলোৰে প্ৰতি আল্লাহৰ প্ৰেৰিত ৰচুল ।কিন্তু মনত ৰাখিবা হজৰত ঈছা (আঃ)ৰ স্পষ্ট ভাৱে মহিলাজনীক উত্তৰ দিয়াটো এনে কোনো বিষয় নাছিল যে, তাত তেখেতৰ কোনো ভুল আছিল ।আচলতে সাধাৰণ হিদায়তৰ সময় তেতিয়ালৈকে অহা নাছিল ।হজৰত ঈছা (আঃ)ক আল্লাহ তায়লাৰ ফালৰ পৰা এই আদেশই আছিল যে তোমাক কেৱল বনি ইস্ৰাইলৰ কাৰণে প্ৰেৰণ কৰা হৈছে । আন কোনো জাতিৰ লগত তোমাৰ কোনো সম্পৰ্ক নাই ।গতিকে যিদৰে অলপ আগতে মই উল্লেখ কৰিছোঁ যে হজৰত ঈছা (আঃ) ৰ চাৰিত্ৰিক শিক্ষা কেৱল ইহুদীসকলৰ বাবে সীমাবদ্ধ আছিল ।আচল কথা হ'ল তৌৰাতত এই আদেশ দিয়া হৈছিল যে, দাঁতৰ পৰিৱৰ্তে দাঁত আৰু চকুৰ পৰিৱৰ্তে চকু আৰু নাকৰ পৰিৱৰ্তে নাক ।এই শিক্ষা

প্ৰদান কৰাত কেৱল এই উদ্দেশ্য আছিল যে,যাতে ইহুদী সকলৰ মাজত ন্যায় প্ৰতিষ্ঠা হʼব পাৰে, আৰু অত্যাচাৰ প্ৰতিৰোধ কৰিব পাৰে ।কিয়নো চাৰি শ বছৰ দাসত্ব হিচাপে অতিবাহিত কৰাৰ পিছত সিহঁতৰ মাজত অত্যাচাৰ আৰু দুৰ্বলতাৰ আচৰণ বহু গুণে বৃদ্ধি পাইছিলগৈ ।গতিকে খোদা তায়লা বিচাৰিলে যে, যিদৰে প্ৰতিশোধ গ্ৰহণৰ ফলত সিহঁতৰ চৰিত্ৰত বল প্ৰয়োগৰ চিহ্ন প্ৰকাশ পাইছে ।সেয়া আঁতৰাবলৈ এনে ধৰণৰ শিক্ষা উপস্থাপনৰ প্ৰয়োজন আছিল,আৰু সেই চাৰিত্ৰিক শিক্ষা হʼল ইঞ্জিল ।যি শিক্ষা কেৱল ইহুদীসকলৰ বাবে আছিল । গোটেই পৃথিৱীৰ মানুহৰ বাবে নাছিল ।কিয়নো আন আন জাতি সমূহৰ লগত হজৰত ঈছা (আঃ)ৰ কোনো সম্পৰ্ক নাছিল ।

কিন্তু আচল কথা হʼল যি শিক্ষা হজৰত ঈছা (আঃ) উপস্থাপন কৰিছিল, তাত কেৱল এয়াই ত্ৰুটি নাছিল যে, সেই শিক্ষা পৃথিৱীৰ সাধাৰণ অনুগ্ৰহৰে পৰিপূৰ্ণ নাছিল, তাত এই ত্ৰুটিও আছিল যে, যিদৰে তৌৰাত বল প্ৰয়োগ আৰু প্ৰতিশোধৰ শিক্ষাত কঠোৰতাৰ ফালে আকৃষ্ট কৰে, আনফালে ইঞ্জিল ক্ষমা প্ৰদৰ্শনত অতি বেছি ভদ্ৰতাৰ শিক্ষা প্ৰদান কৰে ।দুয়োখন গ্ৰন্থই মানৱিক গছৰ প্ৰতিটো শাখাৰ মাজত একো সন্মান প্ৰদৰ্শন কৰা নাই । কিয়নো সেই গছৰ এটা শাখাক তৌৰাত উপস্থাপন কৰে আৰু আন এটা শাখা ইঞ্জিলৰ হাতত আছে । দুয়োখন শিক্ষা ন্যায় প্ৰতিষ্ঠাৰ পৰা বহু আঁতৰত ।কিয়নো যিদৰে সকলো সময়ত সকলো ঠাইত ক্ষমা প্ৰদৰ্শন কৰা মানৱিক চৰিত্ৰ সংশোধনৰ ক্ষেত্ৰত সম্পূৰ্ণ ভাবে বিপৰীত । সেই কাৰণে কোৰাণ শ্বৰীফে এই দুয়োখন শিক্ষাক অগ্ৰাহ্য কৰি কৈছে

جَزٰٓؤُا سَيِّئَةٍ سَيِّئَةٌ مِّثْلُهَا فَمَنْ عَفَا وَاَصْلَحَ فَاَجْرُهٗ عَلَى اللّٰهِ

অৰ্থাৎ বেয়াৰ পতিশোধ বেয়া সেই পৰিমাণে যি পৰিমাণে বেয়া কৰা হৈছে,যেনেকুৱা তৌৰাতৰ শিক্ষা, কিন্তু যি ব্যক্তিয়ে ক্ষমা কৰে, এয়া ইঞ্জিলৰ শিক্ষা,অৰ্থাৎ সেই সময়ত ক্ষমা কৰা ঠিক হ'ব যদি তাৰ সংশোধন হৈ যায়, আৰু যদি ক্ষমা কৰাৰ ফলত তাৰ সংশোধন হয় তেন্তে ঠিক আছে, নহলে নিয়ম এইটো যি তৌৰাতত লিপিবদ্ধ আছে ।